# অন্বেষণ

ষষ্ঠ বছৰ ■ পঞ্চম সংখ্যা ■ জুন, ২০১৯



## বিশ্বকাপ ক্রিকেট, ২০১৯

## কথা কোৱা ডাকটিকট






## লোকসভা নিৰ্বাচন, ২০১৯



বিটিং ৰিট্ৰিট



মনালিছা

# অন্বেষণ

**ষষ্ঠ বছৰ, পঞ্চম সংখ্যা, জুন, ২০১৯ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰদ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ভাৰতৰ লোকসভা নিৰ্বাচন, ২০১৯**
- অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

৯ **চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৫ **কথা কোৱা ডাকটিকট**
- ৰূপজ্যোতি চেতিয়া

১৭ **পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা**

১৮ **কুইজ**
- হিৰণ্য কলিতা

১৯ **লিঅ'নাৰ্ড' ডা ভিন্সিৰ 'মনালিছা'**
- উদয়া ফুকন

২১ **বিশ্ব পৰিবেশ দিৱস**
- অপৰ্ণা দেৱী

২২ **ৰিটিং ৰিট্ৰিট**
- প্ৰীতিলতা পাটগিৰি

২৩ **ৰাষ্ট্ৰীয় মহিলা আয়োগ**
- ডলী চৌধুৰী

২৫ **চুড'কু**

২৬ **পুলিৎজাৰ বঁটা**
- নিবেদিতা তালুকদাৰ

২৮ **জেক মা**
- সুদীপ্তা চৌধুৰী

৩০ **মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

৩১ **বিশ্বকাপ ক্ৰিকেটৰ মহাৰণ**
- মহানন্দ শৰ্মা

**সম্পাদক** : ডাং নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডং লিপিমণি দত্ত, দীপক কোচ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : প্ৰকাশ দত্ত
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।*

# ভাৰতৰ লোকসভা নিৰ্বাচন, ২০১৯

■ অভিজিত শৰ্মা বৰুৱা

ভাৰতৰ ষষ্ঠদশ লোকসভাৰ নিৰ্দিষ্ট পাঁচ বছৰ সময় সম্পূৰ্ণ হোৱাৰ পাছত সপ্তদশ লোকসভা গঠনৰ হেতুকে ২০১৯ চনৰ ১১ এপ্ৰিলৰপৰা ১৯ মে'লৈকে মুঠ সাতটা পৰ্যায়ত লোকসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। ২০১৯ চনৰ ১০ মাৰ্চত ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে আৰু তাৰ লগে লগে নিৰ্বাচনী আচৰণ-বিধি বলবৎ হয়। নিৰ্বাচনৰ তাৰিখ ঘোষণাৰপৰা নিৰ্বাচন শেষ নোহোৱালৈকে চৰকাৰ আৰু ৰাজনৈতিক দলসমূহে কিছুমান কাম কৰাত নিৰ্বাচন আয়োগে বাধা-নিষেধ আৰোপ কৰে আৰু চমুকৈ ক'বলৈ গ'লে এয়াই নিৰ্বাচনী আচৰণ-বিধি। এই আচৰণ-বিধি ভংগ কৰিলে নিৰ্বাচন আয়োগে প্ৰয়োজনীয় ব্যৱস্থা ল'ব পাৰে আৰু কাৰোবাৰ প্ৰাৰ্থিত্ব পৰ্যন্ত বাতিল কৰিব পাৰে।

ভাৰতৰ নিৰ্বাচনত ১৮ বছৰ বা তাৰ ওপৰৰ যিকোনো ভাৰতীয়ই ভোট দিব পাৰে। অৱশ্যে অপৰাধী, মানসিক সন্তুলনহীন আৰু দেউলীয়া ঘোষণা কৰা লোকৰ এই অধিকাৰ সাময়িকভাৱে কৰ্তন হ'বও পাৰে। নিৰ্বাচন আয়োগে সকলো উপযুক্ত ভোটাৰক ভোটাৰ কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিলেও এইবাৰ কোনো কাৰণত ভোটাৰ কাৰ্ড নোপোৱা ভোটাৰসকলকো আন উপযুক্ত তথ্য-পাতি প্ৰদৰ্শন কৰিলে ভোট দিয়াৰ সুবিধা প্ৰদান কৰিছে।

নিৰ্বাচন আয়োগে নিম্নোক্ত তাৰিখসমূহত তলত উল্লেখিত ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত ভোট গ্ৰহণ অনুষ্ঠিত কৰিছিল ঃ

| পৰ্যায় | তাৰিখ | সমষ্টি | ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ |
|---|---|---|---|
| ১ | ১১ এপ্ৰিল | ৯১টা | অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, অসম, বিহাৰ, ছটিছগড়, জম্মু আৰু কাশ্মীৰ, মহাৰাষ্ট্ৰ, মিজোৰাম, মণিপুৰ, মেঘালয়, নগালেণ্ড, ওড়িষা, ছিকিম, তেলেংগানা, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবঙ্গ, আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ |
| ২ | ১৮ এপ্ৰিল | ৯৫টা | অসম, বিহাৰ, ছত্তিছগড়, জম্মু আৰু কাশ্মীৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মণিপুৰ, ওড়িষা, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ আৰু পুডুচেৰী |
| ৩ | ২৩ এপ্ৰিল | ১১৬টা | অসম, বিহাৰ, ছত্তিছগড়, গুজৰাট, গোৱা, জম্মু আৰু কাশ্মীৰ, কৰ্ণাটক, কেৰালা, মহাৰাষ্ট্ৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ, ত্ৰিপুৰা, দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ |
| ৪ | ২৯ এপ্ৰিল | ৭১টা | বিহাৰ, জম্মু আৰু কাশ্মীৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ওড়িষা, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু পশ্চিমবঙ্গ |
| ৫ | ৬ মে' | ৫১টা | বিহাৰ, জম্মু আৰু কাশ্মীৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু পশ্চিমবঙ্গ |
| ৬ | ১২ মে' | ৫৯টা | বিহাৰ, হাৰিয়ানা, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ আৰু দিল্লী |
| ৭ | ১৯ মে' | ৫৯টা | বিহাৰ, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, পঞ্জাৱ, পশ্চিমবংগ, উত্তৰ প্ৰদেশ আৰু চণ্ডীগড় |



লোকসভা নিৰ্বাচনৰ লগতে অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, ওড়িষা আৰু ছিকিমত বিধান সভাৰ নিৰ্বাচনো অনুষ্ঠিত হৈ যায়। এইবাৰৰ লোকসভা নিৰ্বাচনত প্ৰায় ৯০ কোটি ভাৰতীয়ই ভোট দিয়াৰ সুবিধা পালেও তাৰ ৬৭ শতাংশইহে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। এই নিৰ্বাচনৰ সময়ত তামিলনাডুৰ ভেলোৰত এগৰাকী ডি এম কে নেতাৰপৰা অবৈধভাৱে ৰখা ১১ কোটি টকা উদ্ধাৰ কৰাক লৈ হৈ-চৈৰ সৃষ্টি হয় আৰু তথ্য-প্ৰমাণৰ ভিত্তিত নিৰ্বাচন আয়োগে সেই সমষ্টিত ১৮ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচন বাতিল কৰে। তদুপৰি ত্ৰিপুৰাৰ পূব ত্ৰিপুৰা সমষ্টিত আইন-শৃংখলাজনিত পৰিস্থিতিৰ বাবে ১৮ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচন ২৩ এপ্ৰিললৈ পিছুওৱা হয়।

শাসনাধিস্থ আৰু বিৰোধী উভয় পক্ষই নিৰ্বাচন আয়োগৰ ওচৰত বিভিন্ন অভিযোগ দাখিল কৰিলেও নিৰ্বাচন আয়োগে ওপৰৰ দুটা ঘটনাৰ বাহিৰে আন ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা নাছিল।

এইবাৰ নিৰ্বাচনত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীৰ ভাৰতত কূটাঘাতমূলক কাৰ্য আৰু তাৰ প্ৰতিশোধ ল'বলৈ ভাৰতীয় বায়ু সেনাই পাকিস্তানত সফল 'ছাৰ্জিকেল ষ্ট্ৰাইক' (Surgical Strike) চলোৱা প্ৰসংগই বেছ গুৰুত্ব পাইছিল। নিৰ্বাচনী প্ৰচাৰত গুৰুত্ব পোৱা আন দুটা বিষয় আছিল—নিবনুৱা সমস্যা আৰু কৃষি ক্ষেত্ৰৰ সমস্যা।

এইবাৰৰ নিৰ্বাচনত বিভিন্ন দলে বিভিন্ন ডিজিটেল মঞ্চত (যেনে, গুগল, হোৱাটছএপ, ফেচবুক আদি) প্ৰচাৰৰ বাবে প্ৰায় ৫৩ কোটি টকা খৰচ কৰিছে আৰু তাৰ অধিকাংশ খৰচ কৰিছে ভাৰতীয় জনতা পাৰ্টিয়ে। নিৰ্বাচনত চৰ্চিত আন দুটা বিষয় আছিল ভাৰতীয় জনতা পাৰ্টিৰ হৈ কাম কৰা 'নমো টিভি' চেনেল আৰু 'পি এম নৰেন্দ্ৰ মোডী' নামৰ এখন বায়পিক (Biopic–জীৱনভিত্তিক চলচ্চিত্ৰ)। কংগ্ৰেছ আৰু আন দলে ইয়াক লৈ আপত্তি কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্দেশ দিয়ে যে 'নমো টিভি'ত মোডীৰ ভাষণসমূহৰ পোনপটীয়া সম্প্ৰচাৰ কৰিব পাৰিব, কিন্তু আন অনুষ্ঠানসমূহৰ ক্ষেত্ৰত প্ৰচাৰৰ আগতে সেয়া নিৰ্বাচনী আয়োগে গঠন কৰি দিয়া এখন কমিটিক দেখুৱাই প্ৰচাৰৰ অনুমতি ল'ব লাগিব। আন এক নিৰ্দেশযোগে আয়োগে 'পি এম নৰেন্দ্ৰ মোডী' নামৰ বায়পিকখনৰ প্ৰদৰ্শন নিৰ্বাচন পাৰ হৈ নোযোৱালৈকে স্থগিত ৰাখিবলৈ কয়। নিৰ্বাচনত কেইটমান বিক্ষিপ্ত হিংসাত্মক ঘটনা ঘটিছিল যদিও সামগ্ৰিকভাৱে নিৰ্বাচন শান্তিপূৰ্ণভাৱেই পাৰ হৈ যায়।

১৯ মে'ত শেষৰ পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পাছত এক্সিট পল অনুসৰি নৰেন্দ্ৰ মোডী নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰদলসমূহে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব বুলি কোৱা হৈছিল। ২৩ মে'ত সমগ্ৰ দেশতে ভোট গণনা আৰম্ভ হৈ যায়। ভোট গণনাৰ পাছত দেখা গ'ল যে বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে এক্সিট পলে ভৱিষ্যদ্বাণী কৰাতকৈও বেছি আসন পাইছে।

**ফলাফল** : এই নিৰ্বাচনত বিভিন্ন দলে লাভ কৰা আসনসমূহৰ সংখ্যা হ'ল এনেধৰণৰ—

● ভাৰতীয় জনতা দল - ৩০৩ ● ভাৰতীয় কংগ্ৰেছ দল - ৫২ ● এ আই টি চি - ২২ ● ওৱাই এছ আৰু কংগ্ৰেছ পাৰ্টি - ২২ ● এছ এইচ এছ - ১৮ ● জে ডি (ইউ) - ১৬ ● বি জে ডি - ১২ ● বি এছ পি - ১০ ● টি আৰ এছ - ৯ ● এল জে পি - ৬ ● এন চি পি - ৫ ● এছ পি - ৫ ● চি পি আই (এম) - ৩ ● আই ইউ এম এল - ৩ ● জে কে এন চি - ৩ ● টি ডি পি - ৩ ● এ আই এম আই এম

- ২ ● চি পি আই - ২ ● এছ এ ডি - ২ ● এ এ এ পি - ১ ● এ আই এ ডি এম কে - ১ ● এ আই ইউ ডি এফ - ১ ● এ জে এছ ইউ - ১ ● জে ডি (এছ) - ১ ● জে এম এম - ১ ● কে চি (এম) - ১ ● এম এন এফ - ১ ● এন পি এফ - ১ ● এন পি পি - ১ ● আৰ এছ পি - ১ ● এছ কে এম - ১ ● অন্যান্য - ৯।

(উল্লেখযোগ্য হ'লেও কোনো আসন নোপোৱা দলসমূহৰ নাম উল্লেখ ইয়াত কৰা হোৱা নাই।)

জোটবন্ধন হিচাপে স্থিতি হ'ল এনেধৰণৰ :

ভাৰতীয় জনতা দল + সহযোগী দল (এন ডি এ) : ৩৫৪, ভাৰতীয় কংগ্ৰেছ দল + সহযোগী দল (ইউ পি এ) : ৮৯, অন্যান্য : ৯৯।

এই ফলাফলৰ জৰিয়তে এই কথা নিশ্চিত হ'ল যে এইবাৰো ভাৰতীয় জনতা দল মূল দল হিচাপে থকা এন ডি এ ক্ষমতালৈ আহিব। আনহাতে বিৰোধী দলসমূহ নিস্তেজ হৈ যোৱাটোও আন এটা গুৰুত্বপূৰ্ণ কথা। ফলাফলৰ আন এটা বিশেষত্ব হ'ল যে কোনো এটা শাসনাধীন দল নিৰ্বাচনত পুনৰ জিকিলেও আসনৰ সংখ্যা বেছি হোৱাটো বিৰল ঘটনা। পৃথিৱীৰ এক নম্বৰ দেশ আমেৰিকা যুক্তৰাষ্ট্ৰই এই নিৰ্বাচন সম্পৰ্কত কৈছে যে পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰতত এনেদৰে মুক্ত আৰু স্বচ্ছ নিৰ্বাচনৰ যোগেদি উপযুক্ত দল তথা লোকক ক্ষমতালৈ অনাটো সমগ্ৰ বিশ্বৰ মানুহৰ বাবেই এক অনুপ্ৰেৰণা।

ভাৰতীয় জনতা পাৰ্টিয়ে নিৰ্বাচনৰ আগতে প্ৰচাৰ কৰা তেওঁলোকৰ সংকল্প পত্ৰত বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি দিছিল। তাৰ ভিতৰত আছে সকলো প্ৰকল্প শেষ কৰি কৃষকৰ আয় ২০২২ চনৰ ভিতৰত দুগুণ কৰা, ৬০ বছৰ অতিক্ৰম কৰা কৃষকৰ বাবে পেন্সনৰ ব্যৱস্থা কৰা, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ শতকৰা পৰিমাণ ১০ৰ তললৈ নিয়া, দেশখনৰ ৰপ্তানিৰ পৰিমাণ দুগুণ বঢ়োৱা, ১০০ শতাংশ শিশুক স্বাস্থ্যৰক্ষা আৰু শিক্ষাৰ সুবিধা প্ৰদান কৰা, ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য বৰ্তমানৰ দুগুণ কৰা, সকলো পৰিয়ালক পকী ঘৰ, বিশুদ্ধ পানী, শৌচাগাৰ, এল পি জি গেছ চিলিণ্ডাৰ, বিদ্যুৎ আৰু বেংক একাউণ্টৰ সুবিধা দিয়া, সকলো ৰে'ল লাইন ব্ৰডগজ কৰি তাত বিদ্যুৎচালিত ৰে'লগাড়ী চলোৱা, নবীকৰণযোগ্য শক্তিৰ উৎপাদন ১৭৫ গিগাৱাটলৈ বঢ়োৱা, সমগ্ৰ দেশত অতিৰিক্তভাৱে ১,৫০,০০০ স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰা, ৭৫ খন চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা, চিকিৎসক আৰু জনসংখ্যাৰ অনুপাত ১ : ১৪০০ কৰা, নতুন আভিযান্ত্ৰিক কলেজ স্থাপন কৰা আৰু এতিয়া থকাবোৰৰ আসনৰ সংখ্যা বৃদ্ধি কৰা ইত্যাদি। তেওঁলোকে কেনেকৈ এইবোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰে সেয়া লক্ষণীয় হ'ব। লগতে এই কথাও ধ্ৰুৱপ যে এইবোৰ কাম সম্পন্ন হ'লে বিশ্বৰ ভিতৰত ভাৰতৰ অৱস্থান বহুত ওপৰলৈ উঠিব আৰু এই দেশ পৃথিৱীৰ ভিতৰতে এখন অতি গুৰুত্বপূৰ্ণ দেশ হিচাপে পৰিণত হ'ব। ❖



## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (মে')

১। দক্ষিণ কোৰিয়া। ছিউল মানে ৰাজধানী। ২। মেনিলা। ৩। এংকৰ ৱাট মন্দিৰ। ৪। কছভো। ৫। ৰুৱাণ্ডা।

## ড° নগেন শইকীয়ালৈ এন টি আৰ ৰাষ্ট্ৰীয় বঁটা



অন্ধ্ৰপ্ৰদেশৰ প্ৰয়াত মুখ্যমন্ত্ৰী, একালৰ প্ৰসিদ্ধ বোলছবি অভিনেতা তথা পৰিচালক ড° এন টি ৰামা ৰাওৰ সোঁৱৰণত প্ৰৱৰ্তিত 'এন টি আৰ ৰাষ্ট্ৰীয় সাহিত্য বঁটা' চলিত বৰ্ষত অসমৰ বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়ালৈ আগবঢ়োৱা হৈছে। অসমৰ প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদগৰাকীলৈ এই বঁটা আগবঢ়াইছে অন্ধ্ৰপ্ৰদেশৰ 'এন টি আৰ ভিগনানা ট্ৰাষ্টে।' অন্ধ্ৰপ্ৰদেশৰ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ পত্নী লক্ষ্মী পাৰ্বতীৰ অধ্যক্ষতাত পৰিচালিত ট্ৰাষ্টে যোৱা ২ মে' তাৰিখে ড° শইকীয়াক এই ৰাষ্ট্ৰীয় বঁটাৰ বাবে নিৰ্বাচিত কৰে। প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ জন্মদিন ২৮ মে'ত বিয়লি হায়দৰাবাদস্থিত ৰবীন্দ্ৰ ভাৰতীত অনুষ্ঠিত এক অনুষ্ঠানত ড° শইকীয়াক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে নগদ এক লাখ টকা, প্ৰশংসা পত্ৰ, এখন স্মাৰক আৰু অংগবস্ত্ৰ।

## ইগ'ৰ ষ্টিমাকক ভাৰতীয় ফুটবল দলৰ প্ৰশিক্ষক নিযুক্তি



এই বৰ্ষৰ ১৫ মে'ত ক্ৰোৱেছিয়াৰ ইগ'ৰ ষ্টিমাকক ভাৰতীয় ফুটবল দলৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হয়। চলিত বৰ্ষৰেই জানুৱাৰি মাহত ষ্টিফেন কনষ্টেইনটাইনৰ প্ৰস্থানৰ পাছত ভাৰতীয় ফুটবল দলটো প্ৰশিক্ষকবিহীন হৈ আছিল। সৰ্বভাৰতীয় ফুটবল পৰিষদে ষ্টিমাকক দুবছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি প্ৰদান কৰিছে। ৫১ বছৰীয়া ষ্টিমাকে ১৯৯৮ চনৰ ফিফা বিশ্বকাপত ক্ৰোৱেছিয়াক প্ৰতিনিধিত্ব কৰিছিল। ফ্ৰান্সত অনুষ্ঠিত সেইবাৰৰ বিশ্বকাপত ক্ৰোৱেছিয়াই তৃতীয় স্থান লাভ কৰিছিল। ১৮ বছৰ ধৰি প্ৰশিক্ষণৰ সৈতে জড়িত ষ্টিমাকে ২০১৪ চনৰ বিশ্বকাপলৈ যোগ্যতা অৰ্জনত ব্ৰাজিলক সহায় কৰি বিশেষ সফলতা অৰ্জন কৰিছিল। ক্ৰোৱেছিয়াৰ ৰাষ্ট্ৰীয় প্ৰশিক্ষক হিচাপেও দায়িত্ব পালন কৰা ষ্টিমাকে জাতীয় দলক ৫৩ খন আন্তঃৰাষ্ট্ৰীয় খেলত প্ৰতিনিধিত্ব কৰিছিল। ১৯৮৭ চনত ফিফা অনুৰ্দ্ধ-২০ বিশ্বকাপ জয়ী দলটোৰো তেওঁ সদস্য আছিল। অভিজ্ঞ তথা উৎসাহী ষ্টিমাকৰ নেতৃত্বত ভাৰতীয় ফুটবল দলটোৱে আশাপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিব পাৰিব বুলি সকলোৱে আশা কৰিছে। প্ৰশিক্ষকগৰাকীয়ে মাহে প্ৰায় ১৭ লাখ ৫০ হাজাৰ টকা দৰমহা হিচাপে লাভ কৰিব।

## বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ শ্বেখ চান্দ মহম্মদৰ দেহাৱসান



অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা বৰক্ষেত্ৰী সমষ্টিৰ প্ৰথমগৰাকী বিধায়ক শ্বেখ চান্দ মহম্মদৰ যোৱা ১১ মে'ত দেহাৱসান ঘটে। উল্লেখযোগ্য যে শ্বেখ চান্দ মহম্মদৰ জন্ম হৈছিল ১৯৩১ চনৰ ১ মাৰ্চত নলবাৰী জিলাৰ মুকালমুৱাত। তেওঁৰ পিতৃ আছিল আনফাৰ আলী আৰু মাতৃ ফুলচেনী বিবি। শৈশৱৰেপৰা প্ৰখৰ মেধাৰ পৰিচয় দিয়া শ্বেখ চান্দ মহম্মদে আইনৰ ডিগ্ৰী অৰ্জন কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত ১৯৬০ চনত ওকালতিৰে কৰ্ম জীৱন আৰম্ভ কৰে। মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তেওঁ প্ৰতিষ্ঠাপক অধ্যক্ষও আছিল। ১৯৭৯ চনৰ ৭ নৱেম্বৰৰপৰা ১৯৮৬ চনৰ ৭ জানুৱাৰিলৈকে তেওঁ অসম বিধানসভাৰ অধ্যক্ষ হিচাপে দক্ষতাৰে দায়িত্ব পালন কৰিছিল। তেওঁ ১৯৭৯ চনত নিউজিলেণ্ডৰ বেলিটোপত অনুষ্ঠিত পঞ্চদশ কমনৱেলথ সংসদীয় সন্মিলন, ১৯৮৪-১৯৮৫ চনত বালোচা আৰু কানাডাত অনুষ্ঠিত গণৰাজ্য সংসদীয় সন্মিলনত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। মূল্যবোধৰ

ৰাজনীতি তথা ধৰ্মনিৰপেক্ষতাৰ প্ৰতীকস্বৰূপ শ্বেখ চান্দ মহম্মদৰ মৃত্যুত ৰাজ্যখনে এজন সফল ৰাজনীতিবিদক হেৰুৱালে। শৰণীয়া কবৰস্থানত ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

## আই চি চিৰ প্ৰথম মহিলা মেচ ৰেফাৰী ভাৰতৰ জি এছ লক্ষ্মী



ভাৰতৰ জি এছ লক্ষ্মীয়ে বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আই চি চিৰ প্ৰথমগৰাকী মহিলা মেচ ৰেফাৰী হিচাপে নিযুক্তি লাভ কৰিছে। তেওঁক যোৱা ১৪ মে'ত ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থাটোৱে আনুষ্ঠানিকভাৱে নিযুক্তি প্ৰদান কৰে। তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ জি এছ লক্ষ্মীক আন্তৰ্জাতিক মেচ পৰিচালনা কৰাৰ বাবে অনুমতি দিয়া হৈছে। ৫১ বছৰীয়া লক্ষ্মীয়ে আই চি চিৰ মেচ ৰেফাৰী হিচাপে নিযুক্তি লাভ কৰি বিৰল কৃতিত্ব অৰ্জন কৰিছে। লক্ষ্মীয়ে ২০০৮-০৯ চনত ঘৰুৱা মহিলা ক্ৰিকেটত মেচ ৰেফাৰীৰ দায়িত্ব পালন কৰিছিল। লগতে তেওঁ মহিলাৰ তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ ত মেচ ৰেফাৰী হিচাপে দায়িত্ব পালন কৰিছিল। লক্ষ্মীৰ উপৰি আই চি চি পেনেলত কিম কটন, জেকুইলিন উইলিয়াম আদিয়েও ৰেফাৰী হিচাপে নিযুক্তি লাভ কৰে। খেলত লিংগ বৈষম্য আঁতৰ কৰিবৰ কাৰণে আই চি চিয়ে এই নিযুক্তি প্ৰদান কৰা বুলি প্ৰকাশ কৰিছে।

## মুম্বাই ইণ্ডিয়ানছ আই পি এল চেম্পিয়ন

যোৱা ১২ মে'ত হাইদৰাবাদত অনুষ্ঠিত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ চূড়ান্ত খেলত মুম্বাই ইণ্ডিয়ানছে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ দ্বাৰা আয়োজিত এই বৃহৎ প্ৰতিযোগিতাখনত ৰোহিত শৰ্মা নেতৃত্বাধীন মুম্বাই ইণ্ডিয়ানছে ডিফেণ্ডিং




চেম্পিয়ন মহেন্দ্ৰ সিং ধোনী নেতৃত্বাধীন চেন্নাই ছুপাৰ কিংছক ১ ৰাণত পৰাস্ত কৰে। মেচখনত মুম্বায়ে জয়ৰ বাবে বান্ধি দিয়া ১৫০ ৰাণৰ লক্ষ্য অনুসৰণ কৰি চেন্নায়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৮ ৰাণহে কৰিবলৈ সক্ষম হয়। আই পি এলৰ এই দ্বাদশ সংস্কৰণকে ধৰি মুম্বাই ইণ্ডিয়ানছে চতুৰ্থবাৰৰ বাবে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। খেলখনত দুটা উইকেট দখল কৰি যশপ্ৰীত বুমৰাহে 'মেন অৱ দা মেচ'ৰ সন্মান লাভ কৰে।

চেম্পিয়ন দলটোৱে ২০ কোটি টকাৰ প্ৰাইজমানী লাভ কৰাৰ বিপৰীতে ৰাণাৰ-আপ দলটোৱে ১২.৫ কোটি টকা লাভ কৰে। ইমৰাণ তাহিৰে শ্ৰেষ্ঠ বলাৰ আৰু ডেভিদ ৱাৰ্ণৰে শ্ৰেষ্ঠ বেটচমেনৰ বঁটা লাভ কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদ দলটোৱে ফেয়াৰ প্লে বঁটা লাভ কৰে।

আই পি এল দ্বাদশ সংস্কৰণৰ প্ৰতিযোগিতাত মুঠ আঠটা দলে অংশগ্ৰহণ কৰিছিল আৰু সৰ্বমুঠ ৬০ খন মেচ অনুষ্ঠিত হৈছিল। কলকাতা নাইট ৰাইডাৰ্ছৰ আন্দ্ৰে ৰাছেলে 'মেন অৱ দা ছিৰিজ'ৰ সন্মান লাভ কৰে।

## দেশৰ শীৰ্ষ ১০ বিশ্ববিদ্যালয়ৰ তালিকাত তেজপুৰ বিশ্ববিদ্যালয়

কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে তেজপুৰ বিশ্ববিদ্যালয়ক দেশৰ ১০ খন বিশ্ববিদ্যালয়ৰ ভিতৰত তালিকাভুক্ত কৰিছে। বিশেষ সাহায্য প্ৰদান কৰাৰ লক্ষ্যৰে তেজপুৰ বিশ্ববিদ্যালয়ক এনেদৰে দেশৰ শীৰ্ষ-১০ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। বিশ্বৰ দুশখন উৎকৃষ্ট বিশ্ববিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ দেশৰ



কিছুসংখ্যক বিশ্ববিদ্যালয়ক গঢ়ি তোলাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে যোৱা বছৰ গ্ৰহণ কৰা নীতিৰ আধাৰত এই তালিকা প্ৰস্তুত কৰিছে। 'নাক'ৰ (NAAC–National Assessment and Accreditation Council) মূল্যায়নত উৎকৃষ্টতাৰ পৰিচয় দিয়া বিশ্ববিদ্যালয়ৰ মাজৰপৰা এই তালিকাখন যুগুত কৰা হৈছে। এই তালিকাভুক্ত বিশ্ববিদ্যালয়লৈ এহেজাৰ কোটিকৈ টকা 'ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান'ৰ জৰিয়তে আগবঢ়োৱা হ'ব। দক্ষতা বিকাশৰ লক্ষ্যৰে এই বিশ্ববিদ্যালয়কেইখনৰ শিক্ষক আৰু বিশিষ্ট ব্যক্তিক আমেৰিকা যুক্তৰাজ্যৰ অগ্ৰণী বিশ্ববিদ্যালয়লৈ যাৱতীয় অধ্যয়নৰ বাবে প্ৰেৰণ কৰা হ'ব। লগতে আন অনুষ্ঠানৰ লগত যুটীয়াভাৱে উদ্ভাৱনীমূলক কাৰ্যক্ৰমণিকা গ্ৰহণৰ লক্ষ্যও স্থিৰ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰপৰা লাভ কৰা বৃহৎ ধনৰাশিৰে নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন, আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীৰ সুবিধাৰ্থে হোষ্টেল নিৰ্মাণ, দক্ষতা বিকাশ, প্ৰশিক্ষণ আদি কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উক্ত দহখনীয়া বিশ্ববিদ্যালয়ৰ তালিকাত জম্মু বিশ্ববিদ্যালয়, হায়দৰাবাদৰ ওছমানিয়া বিশ্ববিদ্যালয়, পশ্চিমবংগৰ যাদৱপুৰ বিশ্ববিদ্যালয় আৰু কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ো অন্তৰ্ভুক্ত হৈছে। ❖

## ভাৰতৰ নৱনিযুক্ত কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীসকল

**নৰেন্দ্ৰ মোডী** : নিযুক্তি, ৰাজহুৱা আপত্তি, মহাকাশ, পাৰমাণৱিক শক্তি, অন্য মন্ত্ৰীক আবণ্টন নকৰা বিভাগসমূহ

**ৰাজনাথ সিং** : প্ৰতিৰক্ষা

**অমিত শ্বাহ** : গৃহ পৰিক্ৰমা

**নীতিন গাডকাৰী** : পথ পৰিবহন, ৰাষ্ট্ৰীয় ঘাইপথ, ক্ষুদ্ৰ, লঘু আৰু মধ্যম উদ্যোগ

**ডি ভি সদানন্দ গৌড়া** : ৰাসায়নিক দ্ৰব্য, সাৰ

**নিৰ্মলা সীতাৰামণ** : বিত্ত আৰু কৰ্পʼৰেট পৰিক্ৰমা

**ৰামবিলাস পাছোৱান** : উপভোক্তা, খাদ্য, ৰাজহুৱা বিতৰণ ব্যৱস্থা

**নৰেন্দ্ৰ সিং তোমৰ** : কৃষি, কৃষক কল্যাণ, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন

**ৰবি শংকৰ প্ৰসাদ** : আইন আৰু ন্যায়, যোগাযোগ, ইলেক্‌ট্ৰনিক্স আৰু তথ্য-প্ৰযুক্তি

**হৰসীমত কৌৰ বাদল** : খাদ্য সংশাধন উদ্যোগ

**থাৱাৰ চান্দ গেহলট** : সামাজিক ন্যায় সবলীকৰণ

**ড° সুব্ৰহ্মনীয়ম জয়শংকৰ** : বৈদেশিক পৰিক্ৰমা

**ৰমেশ পখৰিয়াল নিচাংক** : মানৱ সম্পদ উন্নয়ন

**অৰ্জুন মুণ্ডা** : জনজাতি উন্নয়ন

**স্মৃতি জুবিন ইৰাণী** : মহিলা আৰু শিশু বিকাশ, হস্ততাঁত আৰু বস্ত্ৰ

**ড° হৰ্ষবৰ্দ্ধন** : স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিজ্ঞান আৰু প্ৰযুক্তি, ধৰিত্ৰী বিজ্ঞান

**প্ৰকাশ জাভেড়কাৰ** : পৰিবেশ, বন, জলবায়ু পৰিৱৰ্তন, তথ্য আৰু সম্প্ৰচাৰ

**পীয়ুষ গোৱেল** : ৰে'লৰে, বাণিজ্য আৰু উদ্যোগ

**ধৰ্মেন্দ্ৰ প্ৰধান** : পেট্ৰʼলিয়াম, প্ৰাকৃতিক গেছ, তীখা

**মুক্তাৰ আব্বাচ নাকভী** : সংখ্যালঘু পৰিক্ৰমা

**প্ৰহ্লাদ যোশী** : সংসদীয় পৰিক্ৰমা, কয়লা, খনি

**ড° মহেন্দ্ৰ নাথ পাণ্ডে** : দক্ষতা বিকাশ, উদ্যমিতা।

**অৰবিন্দ গণপট শাৱন্ত** : গুৰু উদ্যোগ আৰু ৰাজহুৱা উদ্যোগ

**গজেন্দ্ৰ সিং শেখাৱত** : জল সম্পদ ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ এপ্ৰিল, ২০১৯ ৰপৰা ২০ মে', ২০১৯লৈ)**

২২ **এপ্ৰিল** : গহপুৰ, চতিয়া আৰু ঢেকিয়াজুলি পুলিচ থানা তিনিখন ঐতিহ্য ক্ষেত্ৰ হিচাপে সংৰক্ষণ কৰিবলৈ অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে।

২৪ **এপ্ৰিল** : ইণ্ডোনেছিয়াই মহাকাব্য ৰামায়ণ সম্পৰ্কীয় বিশেষ ডাকটিকট প্ৰকাশ কৰে।

২৫ **এপ্ৰিল** : এছিয়ান বক্সিং চেম্পিয়নশ্বিপত শিৱ থাপাই ব্ৰঞ্জৰ পদক লাভ কৰে।

২৮ **এপ্ৰিল** : উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠে কোহিনুৰ হীৰা ইংলেণ্ডৰপৰা ওভতাই বিচৰাৰ আইনগত যুক্তি নাই বুলি ৰায় প্ৰদান কৰে।

২৯ **এপ্ৰিল** : বেইজিঙত অনুষ্ঠিত বিশ্ব শ্বুটিং প্ৰতিযোগিতাত ভাৰতে দুটা সোণ সহ মুঠ পাঁচটা পদকেৰে শীৰ্ষস্থান দখল কৰে।

৩০ **এপ্ৰিল** : বিশ্বকাপ জয় কৰোঁতে ফ্ৰান্সৰ তাৰকা ফুটবলাৰ প'ল প'গবাই পৰিধান কৰা বুটযোৰ প্ৰায় ২৫ লাখ টকাত বিক্ৰী হয়।

১ **মে'** : ইংলেণ্ডৰ মেৰীলেবোন ক্ৰিকেট ক্লাবৰ (এম চি চি) প্ৰথমজন অনা-ব্ৰিটিছ সভাপতি হিচাপে শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাই নিযুক্তি লাভ কৰে।

২ **মে'** : ডাঃ শান্তনু লহকৰক অসম সাহিত্য সভাই 'শ্বহীদ মোজাম্মিল হক' সন্মান প্ৰদান কৰে।

৩ **মে'** : মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ বাটচ'ৰাৰ আৰ্হিৰে নিৰ্মাণ কৰা ভূপালৰ জাতীয় সংগ্ৰহালয়ৰ তোৰণ মুকলি কৰা হয়।

৪ **মে'** : ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ অ'পেনাৰ জন কেম্পবেল আৰু ছাই হোপে প্ৰথম উইকেটত ৩৬৫ ৰাণ কৰি বিশ্ব ৰেকৰ্ড গঢ়ে।

৫ **মে'** : 'নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল'ত শ্ৰেষ্ঠ পৰিচালকৰ বঁটাৰ বাবে অসমৰ বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা আৰু ৰীমা দাস মনোনীত হৈছে।

৬ **মে'** : ইউৰোপৰ হাংগেৰীত অনুষ্ঠিত প্ৰকৃতি বিষয়ক ছবি শিতানৰ বঁটাৰ বাবে ধৃতিমান কাকতিৰ চুটি ছবি 'দা মেন হু স্পীক্‌ছ নেচাৰ' (The Man Who Speaks Nature) নিৰ্বাচিত হৈছে।

১১ **মে'** : জাৰ্মানীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শ্বুটিং প্ৰতিযোগিতাত হৃদয় হাজৰিকাই ব্ৰঞ্জৰ পদক লাভ কৰে।

১৪ **মে'** : ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলি আৰু মহিলা ক্ৰিকেট দলৰ অ'পেনাৰ স্মৃতি মান্ধানাক আন্তঃৰাষ্ট্ৰীয় বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ বঁটা প্ৰদান কৰা হয়।

- সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট গৱেষক সত্ৰাধিকাৰ কমল চন্দ্ৰ গোস্বামীৰ ৯৬ বছৰ বয়সত দেহাৱসান হয়।

১৬ **মে'** : কেন্দ্ৰীয় বিদ্যালয়সমূহত অসমীয়া সহ আঞ্চলিক ভাষাৰ পাঠদান অব্যাহত থাকিব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ঘোষণা কৰে।

১৭ **মে'** : বিশ্বৰ প্ৰথমগৰাকী কৃষ্ণাংগ মহিলা হিচাপে দক্ষিণ আফ্ৰিকাৰ ছাৰে খুমালোৱে মাউণ্ট এভাৰেষ্ট জয় কৰে।

- আই চি চি ক্ৰিকেট বিশ্বকাপ-২০১৯ৰ চেম্পিয়ন দলে প্ৰায় ২৮ কোটি টকা লাভ কৰিব বুলি ঘোষণা কৰা হয়।

১৮ **মে'** : শংকৰদেৱ কলাক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ পূৰ্ণ অৱয়বৰ তৈলচিত্ৰ উন্মোচন কৰা হয়।

- উত্তৰাখণ্ডৰ শীতল ৰাজে ২৩ বছৰ বয়সত এভাৰেষ্ট শৃংগ জয় কৰি সৰ্বকনিষ্ঠ মহিলা পৰ্বতাৰোহীৰ বিশ্ব অভিলেখ গঢ়ে।

১৯ **মে'** : যশস্বী সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীক ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা বঁটা প্ৰদান কৰা হয়।

- ভাৰতৰ সপ্তদশ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ এক এপ্ৰিলৰপৰা আৰম্ভ হোৱা আটাইকেইটা পৰ্যায় সফলতাৰে সম্পন্ন হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### ফট'ক্ৰমিক গ্লাছ বা আলোক-সংবেদী গ্লাছৰ কথা...




কিছুমান চানগ্লাছ অনবৰতে ডাঠ ক'লা হৈ থাকে। কিন্তু কিছুমান চানগ্লাছ ৰ'দত ডাঠ ক'লা হৈ থকা দেখা যায় ঠিকেই, কিন্তু ছাঁ পৰা ঠাই বা ঘৰৰ ভিতৰলৈ যোৱাৰ লগে লগে তাৰ লেন্স দুখন স্বচ্ছ হৈ পৰে। কিন্তু কিয়? কেনেকৈ একেখন লেন্সেই এবাৰ ক'লা আৰু এবাৰ স্বচ্ছ হৈ পৰে ! দৰাচলতে এনেধৰণৰ চানগ্লাছত আলোক-সংবেদী বা ফট'ক্ৰমিক (Photochromic) লেন্স ব্যৱহাৰ কৰা হয়। ফট'ক্ৰমিক গ্লাছত ছিলভাৰ আয়'ডাইড বা চিলভাৰ ব্ৰ'মাইড নামৰ পদাৰ্থ থাকে। সাধাৰণ অৱস্থাত ইয়াৰ ৰং নাই। সূৰ্যৰ পোহৰ পোৱাৰ লগে লগে তৎক্ষণাৎ ই ক'লা ৰং লয়। কিন্তু ছাঁ পালে পুনৰ আগৰ অৱস্থালৈ উভতি আহে, ফলত লেন্সখন স্বচ্ছ হৈ পৰে। ❖

---

### ভূমিকম্প কেনেকৈ জোখা হয়?

ভূমিকম্প যেতিয়া আহে, ঘৰ-দুৱাৰকে ধৰি পৃথিৱীৰ উপৰিভাগৰ সকলো বস্তু কঁপিবলৈ ধৰে। সেই সময়ত সাধাৰণতে আমি সতৰ্ক হৈ নিজকে বচোৱাৰ চেষ্টা কৰোঁ। কিন্তু বিজ্ঞানীসকলে সেই সময়ত জানিবলৈ চেষ্টা কৰে কিমান শক্তিশালী বা কিমান প্ৰাবল্যৰ আছিল ভূমিকম্পটো। ভূমিকম্পৰ প্ৰাবল্য মানে ভূমিকম্পৰ জোকাৰণিৰ পৰিমাণ বা কঁপনিৰ পৰিমাণ। চিচ্‌ম'গ্ৰাফ নামৰ যন্ত্ৰ এবিধৰ সহায়ত ভূমিকম্পৰ প্ৰাবল্য জোখা হয়। যন্ত্ৰবিধত আঁচ বহুৱাব পৰা এডাল সূচক থাকে। সূচকডাল থিয়কৈ ৰখা এটা স্তম্ভ বা খুঁটিৰপৰা ওলমোৱা থাকে। সূচকডালৰ আগ অংশ চুই যোৱাকৈ এখন দীঘল কাগজ ৰখা হয়।



কাগজখন সূচকডালত লাগি থকাকৈ আগুৱাই নিলে সূচকডালে কাগজখনত আঁচ বহুৱায়। ভূমিকম্প নাহিলে আঁচডাল পোন হয়। আহিলে একা-বেঁকা হয়। একা-বেঁকাৰ পৰিমাণ বঢ়া মানেই ভূমিকম্পটো বেছি শক্তিশালী। ❖

## আমি ৰেফ্ৰিজাৰেটৰত খাদ্যবস্তু ৰাখোঁ কিয়?



বজাৰৰ পাচলিবোৰ ঘৰলৈ নিয়াৰ পাছত আমি সেই পাচলিবোৰ সুন্দৰভাৱে, ভালে থকাকৈ ৰাখিব খোজোঁ। খাদ্যবস্তু ভালদৰে ৰখাৰ বাবে ৰেফ্ৰিজাৰেটৰত ৰখাটোৱেই আটাইতকৈ সহজ উপায়। কিয়নো বাহিৰত ৰখা খাদ্যবস্তুতকৈ ৰেফ্ৰিজাৰেটৰত ৰখা বস্তু সৰহদিন ভালে থাকে। পিছে ইয়াৰ কাৰণটো কি জানানে? উত্তৰটো পিছে সাধাৰণ। খাদ্যবস্তুবোৰ বেক্টেৰিয়াৰ বাবে বেয়া হৈ যায়। ইহঁতে ৩০° ৰপৰা ৩৭° ছেলছিয়াছৰ ভিতৰত খৰকৈ বংশ বৃদ্ধি কৰিব পাৰে। এনে উষ্ণতাত খাদ্যবস্তু থাকিলে বেক্টেৰিয়াই সোনকালে নষ্ট কৰি পেলায়। ৰেফ্ৰিজাৰটেৰৰ ভিতৰৰ উষ্ণতা ১০° ছেলছিয়াছৰ তলত থাকে। এনে উষ্ণতাত বেক্টেৰিয়াই বংশবৃদ্ধি কৰিব নোৱাৰে। সেয়েহে ৰেফ্ৰিজাৰেটৰত খাদ্যবস্তু ৰাখিলে বহুদিনলৈ ভালে থাকে। ❖

---

## প্ৰেচাৰ কুকাৰত খাদ্য কিয় সোনকালে সিজে?



এচৰু পানীত চাউল অথবা আলু সিজাবলৈ ল'লে সিজিবলৈ ২০ মিনিটৰপৰা ৩০ মিনিট সময় লাগে। কিন্তু একেখিনি খাদ্যই প্ৰেচাৰ কুকাৰত সিজালে ৫ ৰপৰা ৬ মিনিটৰ ভিতৰত সিজি যায়। ইয়াৰ কাৰণ কি? এটা চৰুত পানী যেতিয়া উতলে, তেতিয়া ই ১০০° ছেলছিয়াছ উষ্ণতাত উতলিবলৈ লয়। তেতিয়া আৰু তাপ দিলেও পানীৰ উষ্ণতা বৃদ্ধি নহয়। ১০০° ছেলছিয়াছ অতিক্ৰম কৰাৰ লগে লগে পানী ভাপত পৰিণত হয়।

কিন্তু প্ৰেচাৰ কুকাৰত নিকপকপীয়াকৈ লগাই থোৱা এখন ঢাকোন থাকে। ঢাকোনখনৰ বাবে ভিতৰৰ পানীৰ ভাপ ওলাই যাব নোৱাৰে। ফলত ভিতৰৰ বায়ুৰ চাপ বৃদ্ধি হয়। চাপ বাঢ়িলে পানীও দেৰিকৈ উতলে। সাধাৰণ প্ৰেচাৰ কুকাৰ এটা পানী প্ৰায় ১২২° ছেলছিয়াছ উষ্ণতাত উতলে। প্ৰেচাৰ কুকাৰৰ উতলা পানীৰ উষ্ণতা বেছি হোৱা বাবে খাদ্য সোনকালে সিজে। ❖

## চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# অসমৰ ফল



**তেঁতেলি** : ইংৰাজী নাম : Tamarind, বৈজ্ঞানিক নাম : *Tasmarindus indica*

তেঁতেলি এবিধ চিৰসেউজীয়া গছ। ওখ-ডাঙৰ এইবিধ গছত ছেঁই ধৰা দীঘলীয়া ফল লাগে। পাতৰ দৈৰ্ঘ্য ৫ ৰপৰা ১২ ছেণ্টিমিটাৰ। ফুলৰ ৰং পাতল হালধীয়া। ফল অলপ চেপেটা আৰু সামান্য বেঁকা। এই ফলৰ কেঁচা অৱস্থাত মঙহ আৰু বাকলি লিপিত খাই থাকে। পকিলে বাকলি আৰু মঙহৰ মাজত খালী ঠাইৰ সৃষ্টি হয়। তেঁতেলিৰ যথেষ্ট ঔষধি গুণ আছে।

**ছিৰাল** : ইংৰাজী নাম : Musk Melon/Sweet Melon, বৈজ্ঞানিক নাম : *Cucumis melo*

প্ৰায় ১৫ ৰপৰা ২২ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ ছিৰাল ফল বাৰিষা কালত পোৱা যায়। কুমলীয়া অৱস্থাত এইবিধ ফলৰ ৰং সেউজীয়া আৰু পূৰঠ হ'লে সেউজীয়া-হালধীয়া ৰং ধৰে। ছিৰালৰ ভিতৰভাগ মঙহেৰে ভৰা। ইয়াৰ ভিতৰত অসংখ্য দীঘলীয়া, বগা বা পাতল হালধীয়া ৰঙৰ গুটি বা বীজ থাকে। ছিৰাল দেখাত কিছু পৰিমাণে কোমোৰাৰ দৰে। এই গছজোপা অসমৰ প্ৰায় সকলো ঠাইতে কিছু পৰিমাণে পোৱা যায়। কোমোৰাৰ পাতৰ দৰে এই গছৰ পাতবোৰো শুংযুক্ত। পকা ছিৰাল পগোৰা গাখীৰ আৰু গুৰৰ সৈতে জলপানৰ দৰে খোৱা হয়।

**ক'লাজামু/বৰজামু** : ইংৰাজী নাম : Java Plum/Malabar Plum, বৈজ্ঞানিক নাম : *Syzgium cumine*

ক'লাজামু এবিধ চিৰসেউজীয়া বৃক্ষ। এই গছজোপাৰ দৈৰ্ঘ্য প্ৰায় ৫০ ৰপৰা ৭০ ফুট। ইয়াৰ ফলটো উপবৃত্তাকাৰ। কেঁচা অৱস্থাত সেউজীয়া ৰঙৰ ফলটোৱে পকিলে ক'লা বৰণ লয়। পকা ফলটোৰ সোৱাদ টেঙা-মিঠা। এই ফলৰ বাকলি পাতল আৰু বাকলিৰ ওপৰভাগ মিহি। ফলৰ ভিতৰত এটা গুটি থাকে। সাধাৰণতে ক'লাজামু গছৰ ফুল মাৰ্চ-এপ্ৰিল মাহত ফুলে আৰু ফল জুন-জুলাই মাহত পকে। ❖

*উৎস : সাতসৰী*

## চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| **জীৱ-জন্তুৰ নাম** | | **ফলৰ নাম** | |
| ম'হ | : Buffalo | বাদাম | : Almond, peanut |
| বলদ গৰু | : Ox, Bullock | জাম | : Berry |
| ষাঁড় গৰু | : Bull | বেল | : Wood Apple |
| কেৰ্কেটুৱা | : Squirrel | নাচপতি | : Pear |
| নেউল | : Mangoose | নাৰিকল | : Coconut |
| জলহস্তী | : Hittopotamus | ডাব নাৰিকল | : Green coconut |
| গাধ | : Ass, Donkey | চেৰী | : Cherry |
| নাহৰফুটুকী বাঘ | : Leopard | খেজুৰ | : Date |
| কুকুৰনেচীয়া বাঘ | : Wolf | নৰাবগৰী | : Peach |
| ভালুক | : Bear | জলফাই | : Olive |
| হৰিণ | : Deer | নেমু | : Lemon |
| শহা পহু | : Hare | লিচু | : Lichi |
| গাহৰি | : Pig | তেঁতেলি | : Tamarind |
| উট | : Camel | মধুৰিআম | : Guava |
| চিম্পাঞ্জী | : Chimpanzee | কিচমিচ | : Raisin ❖ |

## অসমীয়া খণ্ড-বাক্য

**চকু পকোৱা :** (খং উঠিলে মানুহে চকু পকায়, অৰ্থাৎ খং প্ৰকাশ কৰা) মায়ে চকু পকাই ধৰাত মই সঁচা কথাটো ক'বলৈ বাধ্য হ'লোঁ।

**চকু মেলি চোৱা :** (কৃপা দৃষ্টি কৰা, সুপ্ৰসন্ন হোৱা) দৰিদ্ৰ পৰিয়ালটোলৈ অৱশেষত ভগৱানে চকু মেলি চালে; পৰিয়ালটোৰ ডাঙৰ ল'ৰাজনে চাকৰি এটা পালে।


**চৰ্বিত চৰ্বন কৰা :** (চোবোৱাকে চোবোৱা, অৰ্থাৎ কোৱা কথাকে ঘূৰাই ঘূৰাই কৈ থকা) আটাইকেইজন বক্তায়েই কথাবোৰ চৰ্বিত চৰ্বন কৰিছে; সেয়েহে সভাখনৰ দৰ্শক-শ্ৰোতা বিৰক্ত হৈছে।

**চাউল-উকলা :** (ভোগৰ অন্ত হোৱা, জীৱিকাৰ বাট বন্ধ হোৱা, আয়ুসৰ অন্ত হোৱা) অনুষ্ঠানটোৰ দায়িত্ব এজন সৎ লোকে গ্ৰহণ কৰাত আগৰ দুৰ্নীতিগ্ৰস্ত কৰ্মীসকলৰ চাউল-উকলিল।

**চুলিৰ আগে জীউ উৰা :** (জীৱটো চুলিৰ আগেদি উৰি গুচি যোৱা, অতিপাত ভয় খোৱা) কাৰ্যালয়টোত হঠাতে জুই লগাত মানুহবোৰৰ চুলিৰ আগে জীউ উৰিল। ❖

## তলৰ ছবি দুখন চিনাক্ত কৰাঁ।





# গেটৱে অব ইণ্ডিয়া

■ জুলি শইকীয়া



ভাৰতৰ মহাৰাষ্ট্ৰ ৰাজ্যৰ মুম্বাই চহৰত বিংশ শতিকাত ব্ৰিটিছসকলে নিৰ্মাণ কৰা এখন সুন্দৰ তোৰণ হৈছে গেটৱে অব ইণ্ডিয়া। ই মহাৰাষ্ট্ৰৰ দক্ষিণ মুম্বাইৰ এপল' বন্দৰৰ পাৰত অৱস্থিত আৰু ইয়াৰপৰা আৰব সাগৰখন অতি সুন্দৰভাৱে দেখা পোৱা যায়। ২৬ মিটাৰ উচ্চতাৰ এই তোৰণখন ব্যাচল্ট (Basalt) শিলেৰে তৈয়াৰী। ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছিল ১৯২৪ চনত। এই তোৰণখন বৰ্তমান পৰ্যটকসকলৰ বাবে বিশেষ অৱসৰ বিনোদনৰ থলীলৈ পৰিৱৰ্তন হৈছে। গেটৱে অব ইণ্ডিয়া নিৰ্মাণ কৰা হৈছিল ইংলণ্ডৰ ৰজা জৰ্জ আৰু ৰাণী কুইন মেৰীৰ ১৯১১ চনত এপল' বন্দৰত পদাৰ্পণৰ স্মৃতি হিচাপে। গেটৱে অৱ ইণ্ডিয়াৰ উচ্চতা হৈছে ১০ মিটাৰ। তোৰণখন উদ্বোধন কৰা হয় ১৯২৪ চনৰ ৪ ডিছেম্বৰ তাৰিখে। ইয়াক নিৰ্মাণ কৰোঁতে প্ৰায় ২১ লাখ টকা ব্যয় হৈছিল। গেটৱে অব ইণ্ডিয়া অৱস্থিত ঠাইখিনি প্ৰথমে মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকলে জাহাজৰপৰা বস্তু উঠোৱা নমোৱা কৰা ঠাই হিচাপে ব্যৱহাৰ কৰিছিল। পিছলৈ ইয়াক পুনৰ নিৰ্মাণ কৰি ব্ৰিটিছ চৰকাৰৰ গৱৰ্ণৰ আৰু মুখ্য বিষয়াসকলৰ উঠা-নমাৰ স্থান হিচাপে ব্যৱহাৰ কৰা হৈছিল। গেটৱে অব ইণ্ডিয়াৰ সৌন্দৰ্যৰ প্ৰতি লক্ষ্য ৰাখি বহুতে ইয়াক মুম্বাইৰ তাজমহল বুলিও অভিহিত কৰিছিল।

গেটৱে অব ইণ্ডিয়াত পাঁচটা ঘাট (Jetty) আছে। ইয়াৰে প্ৰথমটো হ'ল পাৰমাণৱিক গৱেষণা কেন্দ্ৰৰ নিজস্ব ঘাট। দ্বিতীয় আৰু তৃতীয়টো ব্যাৱসায়িক ভিত্তিত ফেৰী চলাচলৰ বাবে ব্যৱহাৰ কৰা হয়, চতুৰ্থ ঘাটটো বৰ্তমান বন্ধ কৰি দিয়া হৈছে আৰু পঞ্চমটো ৰয়েল বম্বে ক্লাবে ব্যৱহাৰ কৰে। (ৰয়েল বম্বে ক্লাব হ'ল ব্ৰিটিছসকলে জলক্ৰীড়াৰ বাবে স্থাপন কৰা এটা সংঘ।) ❖

# কথা কোৱা ডাকটিকট

■ ৰূপজ্যোতি চেতিয়া




ডাকটিকট বুলি ক'লেই আমাৰ মনলৈ প্ৰথমে কাগজৰ চাৰিকোণীয়া ডাকটিকট এটাৰ কথাই আহে। ডাকটিকটৰপৰাও যে মাত-কথা ওলায় সেয়া হয়তো কল্পনাতীত। কিন্তু এই কথা সম্ভৱপৰ হৈছিল প্ৰায় ৫০ বছৰ পূৰ্বেই ভাৰতৰ চুবুৰীয়া দেশ ভূটানত। লগে লগে সমগ্ৰ বিশ্বতেই বিশেষকৈ ডাকটিকট সংগ্ৰাহকৰ (philatelist) মাজত খলকনিৰ সৃষ্টি হৈছিল। এই ডাক টিকটসমূহ দৰাচলতে একধৰণৰ ফন'গ্ৰাফ ৰেকৰ্ড ডিস্ক আছিল। ইয়াত ভূটানৰ লোক কথা, ৰাষ্ট্ৰীয় সংগীত, লোকগীত আদি বাণীবদ্ধ কৰা হৈছিল। সেইবাবে এই ডাকটিকটসমূহক পিছলৈ টকিং ষ্টাম্প (talking stamp) বা কথা কোৱা ডাকটিকট বুলি কোৱা হৈছিল। উল্লেখযোগ্য যে এনে টিকটসমূহ একোটা গোট হিচাপে পোৱা গৈছিল। এনে প্ৰতিটো গোটত ৭ খনকৈ ডিস্ক আছিল। এই ৭খন ডিস্কৰ প্ৰথমখনত ভূটানৰ ইতিহাস ভূটানৰ ৰাষ্ট্ৰীয় ভাষাত, দ্বিতীয়খনত ভূটানৰ ৰাষ্ট্ৰীয় সংগীত ড্ৰাক চেনদেন (Druk tsendhen), তৃতীয়খনত ভূটানৰ ইতিহাস ইংৰাজীত, চতুৰ্থখনত ভূটানৰ ঝুংদ্ৰা (zhungdra) শৈলীৰ লোকগীত, পঞ্চমখনত ভূটানৰ বোৱেদ্ৰা (Boedra) শৈলীৰ লোকগীত, ষষ্ঠখনত ভূটানৰ ৰাষ্ট্ৰীয় সংগীত তথা লোকগীত, সপ্তমখনত ইংৰাজীতে ভূটানৰ ইতিহাস তথা দুয়োটা শৈলীৰ লোকগীত বাণীবদ্ধ কৰা হৈছিল। এই ডিস্কসমূহ ৰেকৰ্ড প্লেয়াৰত বজাব পৰা গৈছিল। এই ডিস্কবোৰৰ এফালে থকা আঠাজাতীয় পদাৰ্থৰ দ্বাৰা লেফাফাত লগোৱা হৈছিল। বৰ্তমান এনে টকিং ষ্টাম্প একোটাৰ মূল্য ৩৪,৯৭০ টকা আৰু এইসমূহ সংগ্ৰহালয়ত দেখিবলৈ পোৱা যায়। এই ডাকটিকটসমূহ ১৯৭৩ চনৰপৰা প্ৰচলিত হৈছিল।

ভূটানৰ এনে ডাকটিকটসমূহ প্ৰস্তুত কৰি উলিয়াইছিল আমেৰিকাৰ বাৰ্ট ট'ড নামৰ ব্যক্তি এগৰাকীয়ে। তেওঁ ভূটানৰ ৰাজ পৰিয়ালৰ এজন ঘনিষ্ঠ বন্ধু আছিল। ১৯৫০ চনৰ আগলৈকে ভূটান অৰ্থনৈতিকভাৱে যথেষ্ট পিছপৰা আছিল। ভূটান চৰকাৰে বাট-পথ, বিদ্যালয়, চিকিৎসালয় আদি নিৰ্মাণৰ অৰ্থে বিশ্ব বেংকৰপৰা ঋণ বিচাৰিছিল। সেই সময়ত ভাৰত আৰু ভূটানৰ মাজত সীমা বিবাদ চলি আছিল। সেইবাবে ভাৰতৰ লগত সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ বিশ্ব বেংকে ভূটান চৰকাৰক ঋণ দিয়াত অসন্মত হ'ল। ঠিক সেই সময়তেই বেংকৰ কৰ্মচাৰী এজনে ভূটানৰ সেই সময়ৰ ৰজা চিগাম দৰ্জি ৱাংচুকক এনে ডাকটিকট প্ৰস্তুত কৰি ইয়াৰ বিক্ৰীৰ জৰিয়তে দেশৰ ৰাজহ উন্নীত কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। সেয়েহে এই ক্ষেত্ৰত ভূটানৰ ৰজাই বাৰ্ট ট'ডৰ সহযোগিতা কামনা কৰিলে। ৰজাৰ অনুগ্ৰহ ৰক্ষা কৰি ১৯৬২ চনত ট'ডে ডাক টিকট প্ৰস্তুত কৰা এক সংস্থা স্থাপন কৰিলে।

পোনপ্ৰথমে সাজি উলিওৱা ডাক টিকটসমূহত যাঁড় গৰু, ৰজা, ৰাজকীয় মোহৰ (Druk khatap), ভূটানৰ দুৰ্গসমূহ, ৰাজকীয় সৈনিক, বৌদ্ধমঠ আদিৰ ছবি ছপোৱা হৈছিল। তেওঁ এই ডাকটিকটসমূহ

## কি ক'ত কিয় বিখ্যাত?

কেনেদৰে আটক ধুনীয়া কৰিব পাৰি তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেওঁ প্ৰস্তুত কৰি উলিওৱা আন ডাকটিকটসমূহৰ ভিতৰত ত্ৰি-মাত্ৰিক টিকট (3-D stamp), সুবাসযুক্ত টিকট (Scented stamp), ৰেছমৰ কাপোৰত ছপোৱা টিকট (Stamp on silk), সোণালী মুদ্ৰাকৃতিৰ টিকট (Gold foil coin stamp) আদি উল্লেখনীয়।

ত্ৰি-মাত্ৰিক টিকটসমূহত ছপোৱা বিষয়সমূহ আছিল বিভিন্ন ফুল, কাঠফুলা, জীৱ-জন্তু, কীট-পতংগ, চৰাই, বিভিন্ন ধৰণৰ মুখা, মহান ব্যক্তিসকলৰ ছবি, মহাকাশচাৰী, মহাকাশযান ইত্যাদি। এই টিকটসমূহ ১৯৬৭ চনৰপৰা প্ৰচলন কৰা হৈছিল। বৰ্তমান এনে টিকট একোটাৰ মূল্য ৮০ টকাৰপৰা ৪০০০ টকা পৰ্যন্ত।

ৰেছমৰ ডাকটিকটসমূহ ৫ খন ডাক টিকটৰ একোটা গোট। এই টিকটসমূহত দেৱতাৰ ছবি আঁকা হৈছিল। এইবোৰক থাংকা ডাক টিকট বুলিও কোৱা হয়। এইসমূহ ১৯৬৯ চনৰপৰা প্ৰচলন কৰা হৈছিল।

সোণালী মুদ্ৰাকৃতিৰ ডাকটিকটসমূহত ভূটানৰ ৰজাসকলৰ ছবি ছপা কৰা হৈছিল। এইবোৰ ঘূৰণীয়া আকৃতিৰ। ১৯৬৬ চনৰপৰা এইসমূহ প্ৰচলন কৰা হৈছিল।

এনে অতুলনীয় ডাকটিকটসমূহৰ স্ৰষ্টা বাৰ্ট ট'ডৰ ২০০৮ চনত দেহাৱসান ঘটে। ট'ডৰ মৃত্যুৰ পিছতেই তেওঁৰ জীয়ৰীয়ে ডাক টিকট সংস্থাটোৰ কাৰ্যভাৰ হাতত লয়। তেওঁ পোন প্ৰথমবাৰৰ বাবে এলানি চিডিত ভূটানৰ বিষয়ে তথ্যচিত্ৰ এখন বাণীবদ্ধ কৰিলে। পূৰ্বৰ ট'কিং ষ্টাম্পসমূহৰ দৰেই এইবোৰো একোখন কাগজৰ আৱৰণেৰে মেৰিওৱা হৈছিল। এনে আৱৰণৰ পাছফালে থকা আঠাজাতীয় দ্ৰব্যৰ দ্বাৰা লেফাফাৰ ওপৰত ইয়াক লগোৱা হৈছিল। এই সৰু চি.ডি.সমূহ যিকোনো চি.ডি. প্লেয়াৰত বজাব পৰা গৈছিল।

ভূটানৰ এনে ডাকটিকটসমূহ ইবে (eBay) ৱেব ছাইটটোৰ দ্বাৰাও ক্ৰয় কৰিব পৰা যায়। এনে ডাক টিকটসমূহৰ জনপ্ৰিয়তাৰ ফলত ভূটান চৰকাৰ আৰ্থিকভাৱে যথেষ্ট লাভান্বিত হৈছিল। ফলস্বৰূপে নতুন বাটপথ, বিদ্যালয়, চিকিৎসালয় আদিৰ নিৰ্মাণ সম্ভৱ হৈ উঠিছিল।

বৰ্তমান ভূটানৰ ৰাজধানী থিম্ফুৰ ডাক সংগ্ৰহালয় পৰ্যটকৰ এক অন্যতম আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। ইয়াত পৰ্যটকে সংগৃহীত ডাক টিকটসমূহ দৰ্শন কৰাৰ লগতে কিছুসংখ্যক ডাকটিকট ক্ৰয় কৰিবও পাৰে। লগতে এই ডাক টিকটসমূহত নিজৰ আলোক চিত্ৰও (নিৰ্বাচিত বা থিতাতে তোলা) ছপাব পাৰে। ❖

## চুড'কু মে', ২০১৯ৰ শুদ্ধ উত্তৰ দিওঁতাসকল

**চতুৰ্থ শ্ৰেণী :** অংশ্ৰুতা দাস (খ), ধৃতিস্মিতা পাঠক (গ), তৃষ্ণা শৰ্মা (গ), সুমন কাকতি (ঘ), ত্ৰিবেণী শইকীয়া (খ), চব্রিনা ৰহমান (গ), ছন্দামিতা শৰ্মা (গ)।

**পঞ্চম শ্ৰেণী :** ময়ংক পাঠক (খ), পাৰ্থ প্ৰতিম পাঠক।

**ষষ্ঠ শ্ৰেণী :** ধৃ-বৰ্ণা বৰগোহাঞি (খ), অৰিহণা ডেকা (খ), শ্ৰুতি কলিতা (ক), মনদ্বীপ গোস্বামী (খ), গীতাৰ্থ শৰ্মা (গ) ।

**সপ্তম শ্ৰেণী :** শিৱাংগী বেজবৰুৱা (খ) প্ৰজ্ঞান বৰুৱা (খ), হিয়াশ্ৰী দাস (খ), চিম্পী ডেকা (গ), ডলিস্মিতা বৰ্মন (খ)।

**অষ্টম শ্ৰেণী :** সুপ্ৰিয়া গোস্বামী (ঘ), মাধুৰ্য্য জয়ন্ত কলিতা (ক), ৰক্তিম অভিনন্দন বৰ্মন (খ), নৱজ্যোতি তালুকদাৰ (খ)।

**নৱম শ্ৰেণী :** বিশাল কলিতা (ঘ), দীক্ষিতা শৰ্মা (গ), মহাশ্ৰমন শৰ্মা বৰদলৈ (ঘ), জ্যোতিষ্মান শইকীয়া (ঘ)।

**দশম শ্ৰেণী :** সিদ্ধাৰ্থ দত্ত (ক)। ❖

# পুথিভঁৰালৰ পুথি অধ্যয়ন টোকা

## পুথিৰ নাম : মহান বীৰৰ জন্ম ৰহস্য আৰু অন্য সাধু



**লিখক :**
**ভানুমতী বৰা**
**প্ৰকাশক :**
**অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ৪০.০০ টকা**
**প্ৰথম প্ৰকাশ : জুলাই, ২০১৫**

'মহান বীৰৰ জন্ম ৰহস্য আৰু অন্য সাধু' নামৰ কিতাপখন পঢ়ি ভাল লাগিল। এই কিতাপখনৰপৰা মহান বীৰসকলৰ জীৱন কালত কেনেকুৱা ঘটনা ঘটিছিল আৰু জীৱনৰ পৰিসমাপ্তি কেনেদৰে ঘটিছিল আদি জ্ঞান পালোঁ। আগৰ জনমত তেওঁলোক কোন আছিল, কি কাৰণে মৃত্যুবৰণ কৰিছিল, তেওঁলোকৰ দোষ, গুণ কি আছিল আদি দিশবোৰো জানিলোঁ।

শিশুপাল নামৰ বীৰগৰাকীয়ে নিজে কৰা ভুলৰ কাৰণে তিনিটা জনম ধৰিবলগা হৈছিল। দেৱব্ৰতৰ কেনেদৰে মৃত্যু হ'ল, তেওঁৰ নাম কিয় ভীষ্ম হ'ল, যুদ্ধবিদ্যাত তেওঁ কিমান পাৰ্গত আছিল ইত্যাদি কথা কিতাপখনত সুন্দৰভাৱে লিখা আছে।

তদুপৰি এই কিতাপখনত থকা 'নেউল আৰু গৃহিণী'ৰ সাধুটোত নেউলটোক গৃহিণীগৰাকীয়ে নভবা নিচিন্তাকৈ কলহটো দলিয়াই মাৰি পেলালে। কিন্তু ঘৰলৈ আহি দেখে যে কেঁচুৱাটোৰ ওচৰত সাপ এডাল মৰি পৰি আছে। অৰ্থাৎ নেউলটোৰে একোৰে দোষ কৰা নাছিল। সেইবাবে যিকোনো কাম ধৈৰ্য সহকাৰে কৰিব লাগে বুলিও জানিলোঁ। সাধুটোৰপৰা পৰিশ্ৰম কৰিব লাগে বুলিও বুজি পালোঁ। 'সংগদোষ' নামৰ সাধুটোৰপৰা সৎসংগত কাম কৰিলে যে মানুহ সৎ হয় সেই কথা বুজি পালোঁ। মুঠতে কিতাপখন এখন উপদেশমূলক কিতাপ।

**■ বেদান্ত শৰ্মা**
ষষ্ঠ শ্ৰেণী

## পুথিৰ নাম : সেউজীয়া পৃথিৱীত আইমুনু আৰু মইনা



**লিখক :**
**দেৱযানী ভাগৱতী নাথ**
**প্ৰকাশক :**
**অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ৩৫.০০ টকা**
**প্ৰথম প্ৰকাশ : ডিছেম্বৰ, ২০১২**

এই কিতাপখনত ১১টা অধ্যায় আছে। কিতাপখনৰ মোৰ আটাইতকৈ ভাললগা অধ্যায়টো হ'ল লিঅ'নাৰ্ড' ডা ভিন্সিৰ 'লাষ্ট ছাপাৰ'। ইয়াত লিঅ'নাৰ্ড' ডা ভিন্সিয়ে অঁকা 'লাষ্ট ছাপাৰ' ছবিখনৰ বৰ্ণনা দিয়া হৈছে। এই কিতাপখনত যীশুখ্ৰীষ্টৰ কিছু কথা, বুৰঞ্জীৰ কিছু কথা, আহোম যুগৰ পুথিভঁৰালৰ কিছু কথা, আমাজ'ন বৰ্ষাৰণ্যত থকা জনগোষ্ঠীৰ কথা, গ্ৰন্থমেলাৰ কিছু কথা কোৱা হৈছে। এই কিতাপখনত পোৱা তথ্য কিছুমানে মোক উপকৃত কৰিলে। যেনে—

অসমত প্ৰথম গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল ১৯৮৪ চনৰ ডিছেম্বৰ মাহত, গুৱাহাটীত। সেইবাৰ নেছনেল বুক ট্ৰাষ্টৰ সহযোগত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাখন পতা হৈছিল। ইয়াত 'কিতাপ' শব্দটো আৰবী ভাষাৰ শব্দ বুলি কোৱা হৈছে। পৃথিৱীৰ এতিয়ালৈকে আৱিষ্কৃত হোৱা প্ৰথমখন ছপা কিতাপ হৈছে 'হীৰক সূত্ৰ'। অনুমান কৰা মতে ৮৬৮ খ্ৰী.ৰ আগতেই এইখন কিতাপ লিখা হৈছিল। কিন্তু এইখন কিতাপ হেৰাই গৈছিল। পিছত ১৯০৭ চনত ছাৰ অৰেল ষ্টাইনে চীনৰ গোবি মৰুভূমিৰ টুং হোৱাং গুহাৰ ভিতৰত এইখন বিচাৰি পাইছিল। গুটেনবাৰ্গ হৈছে আধুনিক ছপাযন্ত্ৰৰ আৱিষ্কাৰক। অসমীয়া ভাষাত প্ৰথমখন ছপা কিতাপ হ'ল 'ধৰ্ম পুস্তক'।

**■ ডলিস্মিতা বৰ্মন**
সপ্তম শ্ৰেণী

## কুইজ

১। কোনখন ঠাইৰ নামটো আহিছে তামিল আৰু মালয়ালম ভাষাত ‘the land of paddy fields’ বুজোৱা শব্দৰপৰা?

২। প্ৰতি বছৰে আমাৰ দেশত ১১ মে’ত ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস পালন কৰা হয়। সেই দিনটো নিৰ্বাচনৰ কাৰণ কি?

৩। ভাৰতৰ জি এছ লক্ষ্মী ক্ৰিকেটৰ ইতিহাসত কি ক্ষেত্ৰত প্ৰথম?

৪। কোনগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি অক্সফ’ৰ্ডৰ অধ্যাপক আছিল আৰু পোপ পল ষষ্ঠই তেওঁক ‘Knight of the Golden Army of Angels’ সন্মান আগবঢ়াইছিল?

৫। ১৯৮৬ চনৰ ১ জুলাইত বোম্বেৰ ৰাটছুন হোটেলত মৌৰিছ ছেইষ্টাৰ নামৰ ব্যক্তিগৰাকীয়ে প্ৰথমবাৰৰ বাবে কি কৰিছিল?

৬। এডৱাৰ্ড কেছনাৰ আৰু জেম্‌ছ নিউমেনৰ ‘Mathematics and the Imagination’ গ্ৰন্থখনত কোনটো টাৰ্ম প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল?

৭। বিহাৰৰ সমন কুমাৰ বসুৰ নামত থকা অভিলেখ ভংগ কৰি তেওঁ ইতিহাস গঢ়িছিল। তেওঁ কোন আৰু কি ইতিহাস গঢ়িছিল?

৮। ১৯৩৫ চনত ভাৰত চৰকাৰৰ আইন অনুসৰি গঠিত কিহৰ প্ৰথম অধ্যক্ষ আছিল জেম্‌ছ হেজলেট?

৯। ১৯৫৭ চনত গুৱাহাটী লোকসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী দেৱেন্দ্ৰ নাথ শৰ্মা ৪৬,৮৭৩টা ভোটত কাৰ হাতত পৰাভূত হৈছিল?

১০। কোনগৰাকী প্ৰসিদ্ধ সাহিত্যিকে ৰিচাৰ্ড বাকমেন (Richard Bachman) ছদ্মনাম ব্যৱহাৰ কৰি ৪ খন উপন্যাস লিখিছিল?

১১। হেনৰী ডুৰাণ্ট আৰু ফ্লেডেৰিক পোছী—কি বঁটা লাভ কৰা প্ৰথম ব্যক্তি?

১২। ২০১৮ চনৰ ৩১ মে’ত কোনগৰাকী প্ৰখ্যাত ফুটবলাৰে ‘Hamrao Sikkim Party’ নামৰ এটা নতুন দল খুলিছিল?

১৩। কোনগৰাকী প্ৰসিদ্ধ সাহিত্যিকে ‘লাইফ’ আলোচনীত পান আমেৰিকান এয়াৰলাইন্‌ছ পাৰ্কাৰ কলমৰ বিজ্ঞাপনত অংশ লৈছিল?

১৪। ১৮৭৮ চনৰ ২০ ছেপ্টেম্বৰত চাৰিগৰাকী আইনৰ ছাত্ৰ আৰু দুগৰাকী শিক্ষকে আৰম্ভ কৰা কিহক ‘Triplicane Six’ নামেৰে জনা গৈছিল?

১৫। ‘What hath God Wrought’ এই বাক্যশাৰী কি বিখ্যাত উদ্ভাৱনৰ সৈতে জড়িত?

১৬। যোৱা ১২ এপ্ৰিলত দেহাৱসান ঘটা দীপালী ৰাজখোৱা কি ক্ষেত্ৰত প্ৰথমগৰাকী অসমীয়া মহিলা আছিল?

১৭। মহেন্দ্ৰ বৰঠাকুৰে ৰচনা কৰা আৰু আব্দুল মজিদে পৰিচালনা কৰা ‘ডাইনীৰ প্ৰেম’ নাটকখন কি বিশেষ বিষয়বস্তুক লৈ ৰচিত কৰা প্ৰথম অসমীয়া নাটক?

১৮। ক্লেয়াৰ প’ল’ছাক—এইগৰাকী মহিলাই অলপতে ক্ৰিকেট বিশ্বত কি নতুন ইতিহাস ৰচনা কৰিছে?

১৯। অসমৰ তৃতীয়খন বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য আছিল সত্যৰঞ্জন বৰুৱা। বিশ্ববিদ্যালয়খনৰ নাম কি?

২০। পাকিস্তানৰ সমাজকৰ্মী আব্দুল ছাত্তাৰ ইধিক কি বিশেষ নামেৰে জনা গৈছিল? ❖


**■ সংগ্ৰহ : হিৰণ্য কলিতা**

### তোমালোকৰ বাবে প্ৰশ্ন মে’ৰ শুদ্ধ উত্তৰ দিওঁতাসকল

ৰক্তিম অভিনন্দন বৰ্মন (অষ্টম খ), জ্যোতিষ্মান ৰয় (অষ্টম খ), ৰাগিণী সংস্কৃতি বৰ্মন (পঞ্চম খ) ❖

# লিঅ'নাৰ্ড' ডা ভিঞ্চিৰ 'মনালিছা'

■ উদয়া ফুকন



সমগ্ৰ বিশ্বত আটাইতকৈ বেছি চৰ্চিত আৰু জনপ্ৰিয় চিত্ৰখনৰ নাম হ'ল মনালিছা। বিশ্ববিখ্যাত শিল্পী লিঅ'নাৰ্ড'-ডা-ভিঞ্চিৰ অমৰ সৃষ্টি এই 'মনালিছা'। লিঅ'নাৰ্ড' ডা ভিঞ্চিৰ যাদুকৰী হাতৰ পৰশত প্ৰাণ পাই উঠিছিল ৰহস্যময়ী হাঁহিৰে উদ্ভাসিত 'মনালিছা' নামৰ এগৰাকী নাৰী। এই চিত্ৰশিল্প বিশ্বৰ বাবে হৈ পৰিছিল এক ৰহস্য আৰু গৱেষণাৰ বিষয়। চিত্ৰখন অংকন কৰাৰ আনুমানিক সময় আছিল ১৫০৩ খ্ৰিষ্টাব্দৰপৰা ১৫১৯ খ্ৰিষ্টাব্দ। সেই সময়ত লিঅ'নাৰ্ড' ডা ভিঞ্চি ফ্লৰেন্সৰ বাসিন্দা আছিল।

'মনালিছা'ৰ আঁৰৰ নাৰীগৰাকী কোন আছিল ই এক বহুল চৰ্চিত বিষয়। চিত্ৰখনত এগৰাকী নাৰীৰ দেহৰ ওপৰৰ অৰ্ধাংশ অংকন কৰা হৈছে। চিত্ৰত 'মনালিছা'ৰ কেশ-সজ্জা, দেহৰ পোছাক, মুখাৱয়বৰ সৌন্দৰ্য জীৱন্ত ৰূপত প্ৰকাশ পাইছিল। কোনো কোনোৰ মতে সেই সময়ত ফ্লৰেন্সৰ মহিলাই এক ধুন (fashion) হিচাপে চিত্ৰত অংকন কৰা ধৰণৰ ঢিলা পোছাক পৰিধান কৰিছিল। লিঅ'নাৰ্ড'ৰ ৰং তুলিকাৰ আৱেশে পোছাকৰ ভাঁজবোৰ জীৱন্ত কৰি তুলিছিল। 'মনালিছা'ৰ মুখাৱয়বৰ মৃদু ৰহস্যময় হাঁহি চিত্ৰখনৰ এক অন্যতম আকৰ্ষণ, চৰ্চিত বিষয়। 'মনালিছা'ৰ চকুৰ চেলাউৰি অস্পষ্ট। এই কথাৰ ব্যাখ্যা কোনোৱে এইদৰে আগবঢ়ায় যে সেই সময়ত মহিলাসকলে নিজক সুন্দৰৰূপে সজাবলৈ হয়তো চেলাউৰি আঁতৰাই পেলাইছিল। আন এক সূত্ৰমতে চিত্ৰখন মাজে-সময়ে পৰিষ্কাৰ কৰি থকাৰ বাবে চেলাউৰিৰ ৰং ক্ৰমে ধূসৰ হৈ পৰিছিল। 'মনালিছা'ৰ সোঁহাত, বাঁওহাতৰ ওপৰত ভৰ দি থকা ভংগিমাৰে লিঅ'নাৰ্ড'ৰে 'মনালিছা'ক এগৰাকী বিশ্বস্ত পত্নীৰূপে ৰং-তুলিকাৰে জীৱন্ত কৰিছিল। চিত্ৰখনত 'মনালিছা'ৰ পিছফালে অংকিত বৰফাবৃত এঢলীয়া পৰ্বতৰ অস্পষ্ট ৰূপ অতুলনীয়। লিঅ'নাৰ্ড' ডা ভিঞ্চিয়ে চিত্ৰখন অংকন কৰিবলৈ ষ্টামেটো (Stumato) নামৰ এক বিশেষ কৌশল প্ৰয়োগ কৰিছিল। এই কৌশলত ৰঙৰ মিশ্ৰণবোৰ ভিন ভিন তৰপেৰে চিত্ৰত প্ৰয়োগ কৰা হয়। সেইবাবে 'মনালিছা'ৰ শিৰৰ পাতল আৱৰণ (ওৰণি), দেহৰ আভৰণৰ ভাঁজ, ওঁঠৰ মৃদু হাঁহি জীৱন্ত। এই কাৰ্যই লিঅ'নাৰ্ড'ৰ অসীম ধৈৰ্যৰ প্ৰমাণ দিয়ে। ভিঞ্চিয়ে এই কৌশলেৰে ছবিৰ চৰিত্ৰ আৰু কাষৰ পৰিৱেশক এক অনন্য ৰূপ দিয়াত সমৰ্থ হৈছিল। সেয়েহে চিত্ৰখনৰ দৃশ্য বহুতো শিল্পীৰ প্ৰেৰণাৰ উৎস। ফৰাচী অভিযন্তা পাচকেল ক'ট্টিৰ (Pascal Cotte) সূক্ষ্ম পৰ্যৱেক্ষণ অনুসৰি 'মনালিছা'ৰ কেশ সজ্জাত আছিল মুকুতা খচিত বিশেষ 'হেয়াৰ পিন' (Hair Pin), যি কালক্ৰমত অস্পষ্ট হৈ পৰিল।

লিঅ'নাৰ্ড-ডা-ভিঞ্চিৰ 'মনালিছা'ৰ আঁৰৰ নাৰীগৰাকীৰ বিষয়ে সঠিকভাৱে জনা নাযায় যদিও এই সন্দৰ্ভত বিভিন্ন সময়ত আগবঢ়োৱা মতসমূহৰ এক মত অনুসৰি 'মনালিছা' চিত্ৰখনৰ নাৰীগৰাকী হ'ল সেই সময়ৰ ফ্লৰেন্সৰ ঘেৰাৰডিনি পৰিয়ালৰ সদস্যা লিজা ডেল গিঅ'কণ্ড' (Lisa Del Giocondo)। ফ্লৰেন্সৰ এজন ধনী সদাগৰ ফ্ৰেন্সিচ্ক' ডেল গিঅ'কণ্ড'ৰ পত্নী। আন এক সূত্ৰৰ মতে 'মনালিছা' হ'ল লিঅ'নাৰ্ড'ৰ মাতৃ কেট্ৰিণা। কোনো কোনোৱে 'মনালিছা'ৰ মুখাৱয়বৰ লগত লিঅ'নাৰ্ড'ৰ মুখাৱয়বৰ সাদৃশ্যৰ ভিত্তিত 'মনালিছা লিঅ'নাৰ্ড'ৰ প্ৰতিচ্ছবি বুলি ক'ব খোজে। অৱশ্যে বহু সমৰ্থিত সূত্ৰই 'মনালিছা' লিজা ডেল গিঅ'কণ্ড' বুলি

মানি ল'ব খোজে। ইয়াৰ সমৰ্থনত কোৱা হৈছিল যে সেই সময়ত ফ্লৰেন্সত সদ্যোজাত সন্তান আৰু মাতৃৰ অকাল মৃত্যু সাধাৰণ ঘটনাত পৰিণত হৈছিল। এনে কথাই সকলোকে ব্যথিত কৰিছিল। ফ্ৰেন্সিছক' ডেল গিঅ'কণ্ডৰ প্ৰথমা আৰু দ্বিতীয়, দুয়োগৰাকী পত্নী সন্তান প্ৰসৱ কৰাৰ পাছত মৃত্যুমুখত পৰিছিল। লিজা আছিল ফ্ৰেন্সিছক'ৰ তৃতীয়া পত্নী। লিজা ডেল গিঅ'কণ্ডই তেওঁৰ দ্বিতীয় সন্তান এণ্ড্ৰিয়াৰ জন্মৰ পাছত তেওঁলোকৰ নতুন গৃহত প্ৰৱেশ কৰাৰ পিছত ফ্ৰেন্সিছক'ই লিজাৰ এখন চিত্ৰ অংকন কৰাবৰ বাবে লিঅ'নাৰ্ডৰ কাষ চাপিছিল। সেই মতে চিত্ৰিত কৰা হৈছিল লিজাক 'মনালিছা' ৰূপে। চিত্ৰখন সম্পূৰ্ণ কৰিবলৈ লিঅ'নাৰ্ড'ক প্ৰায় যোল্ল বছৰৰ প্ৰয়োজন হৈছিল। তেওঁ অৰ্ধ অংকিত চিত্ৰখন নিজৰ লগত কঢ়িয়াই লৈ ফুৰিছিল। সেয়েহে তেওঁ সময়ে সময়ে ৰং-তুলিকাৰে বিভিন্ন ৰঙৰ মিশ্ৰণৰ দ্বাৰা একো একোটা তৰপ সৃষ্টিৰে এক অপূৰ্ব পৰিৱেশ ৰচনা কৰি সকলোকে চমকিত কৰিছিল। এক বিশেষ শৈলীৰে অংকিত 'মনালিছা'ৰ চকু আৰু মুখৰ বিশেষ কৌণিক অংশ জীৱন্ত হৈ ধৰা দিছিল। ইয়াৰ ফলশ্ৰুতিত বহু দক্ষ ব্যক্তিয়ে ছবিখনৰ কৌশল অধ্যয়ন, পৰ্যৱেক্ষণত ব্যস্ত আছিল। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ মাৰ্গাৰেট লিভিংষ্টনৰ মতে 'মনালিছা'ৰ হাঁহি, চিত্ৰখনৰ সমুখৰপৰা দৃশ্যমান নহয় কিন্তু কাষৰপৰা চালে ই দৃষ্টিগোচৰ হয়। ৰং-তুলিকাৰ অপূৰ্ব মিশ্ৰণৰ বাবে চিত্ৰখনত এনে দ্ব্যৰ্থক ৰূপৰ প্ৰকাশ ঘটিছিল।

লিঅ'নাৰ্ডৰ মৃত্যুৰ পাছত কালক্ৰমত এই চিত্ৰখনে চতুৰ্দশ লুইৰ ৰাজপ্ৰাসাদত স্থান পাইছিল। ফৰাচী বিপ্লৱৰ পাছত চিত্ৰখন লুভৰ (Louvre) সংগ্ৰহালয়লৈ স্থানান্তৰিত কৰা হৈছিল। এই চিত্ৰখনে অৱশ্যে কিছুকাল সম্ৰাট নেপ'লিয়নৰ ৰাজপ্ৰাসাদতো ঠাই পাইছিল।

বৰ্তমান বিশ্বত 'মনালিছা'ক এক বিখ্যাত চিত্ৰশিল্প বুলি গণ্য কৰা হয়। অতি মূল্যবান এই চিত্ৰখন বৰ্তমান ফ্ৰান্সৰ লুভৰ সংগ্ৰহালয়ত অতি সুৰক্ষিতভাৱে ৰখা হৈছে। ❖

# ২০১৯ বৰ্ষৰ মে' মাহত বিদ্যালয়ৰ পুথিভঁৰালত সংযোজিত হোৱা কিতাপৰ তালিকা

**(তালিকাত কিতাপসমূহৰ বিষয়ে 'কিতাপৰ নাম/লিখকৰ নাম/প্ৰকাশক/বিষয়/কিতাপৰ সংখ্যা' —এই অনুক্ৰমত উল্লেখ কৰা হৈছে।)**

১। **চেতনা (২য়-৭ম খণ্ড)**/ড° পৰমানন্দ মজুমদাৰ (সম্পা.)/ড° মনোজ কুমাৰ মহন্ত, অধ্যক্ষ, প্ৰাগজ্যোতিষ কলেজ/আলোচনী/০১

২। **ক্ল'জ আপ**/নয়ন প্ৰসাদ/বনফুল প্ৰকাশন/প্ৰবন্ধ/০১

৩। **ড° লীলা গগৈৰ ৰচনাৱলী (১ম-৩য় খণ্ড)**/প্ৰদ্যুৎ হাজৰিকা/বনলতা/ৰচনাৱলী/০১

৪। **বিৰিঞ্চি কুমাৰ বৰুৱা ৰচনাৱলী (১ম-৩য় খণ্ড)**/নগেন শইকীয়া/বাণী লাইব্ৰেৰী/ৰচনাৱলী/০১

৫। **১০০ অসমীয়া চলচ্চিত্ৰৰ কাহিনী আৰু গীত : ৭৮ বছৰীয়া ইতিহাসৰ এক ৰেঙণি**/অৰুণলোচন দাস /শিশু-শশী প্ৰকাশন /চিনেমা সম্পৰ্কীয় কাহিনী আৰু গীত সংগ্ৰহ/০১

৬। **হালধীয়া উপমা**/জীৱন নৰহ/আঁক-বাক/কবিতা/০১

৭। **চাৰিটা ৰোমাণ্টিক প্ৰবন্ধ**/জীৱন নৰহ/আঁক-বাক/প্ৰবন্ধ/০১

৫। **The Budha and other poems**/Jiban Narah/Monsoon editions/Poetry/০১

৬। **Commerce Education in Assam**/Editor-Hitesh Deka/Hitesh Deka, Principal K.C. Das Commerce College/Essay/০১ ❖

# বিশ্ব পৰিৱেশ দিৱস

■ অপৰ্ণা দেৱী



কোনো এটা দিন যেতিয়া বিশেষভাৱে উদ্‌যাপন কৰা হয়, সেই দিনটোক সাধাৰণ অৰ্থত দিৱস বোলা হয়। দিৱস মানে দিনেই যদিও উদ্‌যাপিত দিনৰ যেন পোছাকী নাম দিৱস। আমি পালন কৰা সেই বিশেষ দিন বা দিৱসবোৰৰ ভিতৰত কিছুমান দিৱস সমগ্ৰ পৃথিৱীতে পালন কৰা হয়। পৃথিৱীজুৰি পালন কৰা দিৱসবোৰৰ ভিতৰত অন্যতম এটি দিৱস হ'ল বিশ্ব পৰিৱেশ দিৱস। প্ৰত্যেক বছৰৰ ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়।

আন্তৰ্জাতিক সংস্থা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু সেই মৰ্মে ১৯৭৪ চনৰপৰা ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰি অহা হৈছে। কিন্তু ১৯৮৭ চনৰপৰা আকৌ এটা নতুন ধাৰণাৰ প্ৰৱৰ্তন হয়। বিশ্বৰ কেইখনমান ৰাষ্ট্ৰ নিৰ্বাচন কৰি সেই ৰাষ্ট্ৰসমূহক আয়োজক দেশ হিচাপে নামকৰণ কৰা হয় আৰু সেই আয়োজক দেশবোৰৰ মাজত পৰ্যায়ক্ৰমে দিৱস উদ্‌যাপনৰ সিদ্ধান্ত লোৱা হয়। এই বছৰ অৰ্থাৎ ২০১৯ চনত আয়োজক দেশ হ'ল চীন দেশ। প্ৰত্যেক বছৰে বিশ্ব পৰিৱেশ দিৱসৰ এটা মূল বিষয়বস্তু নিৰ্বাচন কৰি লোৱা হয়। ২০১৯ চনৰ বিষয়বস্তু হ'ল 'বায়ু প্ৰদূষণ'। ২০১৮ চনত আকৌ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু আছিল 'প্লাষ্টিক প্ৰদূষণ ৰোধ'। এই বৰ্ষত ভাৰত আছিল আয়োজক দেশ। ঠিক সেইদৰে ২০১৭ চনত বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু আছিল 'প্ৰকৃতিৰ লগত মানুহক একাত্ম কৰা।'

বিশ্ব পৰিৱেশ দিৱস বিভিন্ন বেচৰকাৰী সংস্থা, চৰকাৰ, দাতব্য অনুষ্ঠান, বিভিন্ন সংগঠন, পাৰদৰ্শী-লোকসকলৰ সহযোগত উদ্‌যাপন কৰা হয় যদিও জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। পৰিৱেশ সম্পৰ্কত সজাগতা সৃষ্টি আৰু সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়াৰ অৰ্থে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয় যদিও আমাৰ চৌপাশৰ পাৰিৱেশিক অৱস্থাৰ কিছুমান নিৰ্দিষ্ট বিষয়ত আলোকপাত কৰাতো বিশেষ গুৰুত্ব দিয়া দেখা যায়। বিশ্ব পৰিৱেশ দিৱসত প্ৰদূষণৰপৰা আৰম্ভ কৰি গোলকীয় উত্তাপ বৃদ্ধিৰ ভয়াবহতা, খাদ্য সংৰক্ষণ আৰু জীৱ জগতৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়।

বিশ্ব পৰিৱেশ দিৱস সমগ্ৰ পৃথিৱীত বিভিন্ন ধৰণে জনসাধাৰণে পালন কৰে। পৃথিৱীবাসীয়ে নিজৰ নিজৰ চৌহদ পৰিপাটিকৰণকে আদি কৰি গছপুলি ৰোপণ, বিভিন্ন প্ৰতিযোগিতা আদি (যেনে ছবি অঁকা, বক্তৃতা, তৰ্ক ইত্যাদি) অনুষ্ঠিত কৰে।

পৃথিৱীৰ অৰ্থনৈতিক উন্নয়নৰ লগতে জনসাধাৰণৰ মানসিকতাৰ উত্তৰণৰ বাবে মানুহ আৰু মানুহৰ চৌপাশৰ উন্নয়ন আৰু সংৰক্ষণ অতি প্ৰয়োজনীয় বুলি ৰাষ্ট্ৰসংঘই দৃঢ়তাৰে বিশ্বাস কৰে। বিশ্ব পৰিৱেশ দিৱসৰ লেখীয়া দিৱসবোৰৰ উদ্‌যাপন সেই বিশেষ দিনটোতে সীমাবদ্ধ নাৰাখি বছৰৰ প্ৰত্যেকটো দিনেই যদি দিৱস হিচাপে উদ্‌যাপন কৰাৰ মানসিকতা আমাৰ মনৰ মাজত গঢ়ি তুলিব পাৰোঁ, তেতিয়া নিশ্চয় আমাৰ লগতে ভৱিষ্যত প্ৰজন্মই এখন সুন্দৰ সেউজীয়া পৃথিৱীত বাস কৰিবলৈ সুবিধা পাব। য'ত মুক্ত মনেৰে বিচৰণ কৰাৰ লগতে চিন্তাও কৰিব পাৰিব মুক্ত মনেৰেই। ❖

# বিটিং ৰিট্ৰিট

■ প্ৰীতিলতা পাটগিৰি



বিটিং ৰিট্ৰিট (Beating Retreat) হ'ল সৈন্যবাহিনীৰ লোকসকলে পালন কৰা এটা বিশেষ ক্ৰিয়াকলাপ। ইয়াৰ আৰম্ভণি হৈছিল ১৬৯০ চনত ইংলণ্ডত। সেই সময়ৰ ইংলণ্ডৰ ৰজা দ্বিতীয় জেমছে নিজৰ সৈন্যবাহিনীক ১৬৯০ চনত এটা নিৰ্দেশ দিছিল। নিৰ্দেশটোত কোৱা হৈছিল যে সৈন্যবাহিনীৰ লোকসকলে দিনটোৰ যুদ্ধ সামৰি আবেলি নিজ দেশৰ ৰাজধানীত উপস্থিত হোৱাৰ সময়ত ৰাজপথত ড্ৰাম বজাই পেৰেড কৰি আগবাঢ়িব লাগিব। তেওঁলোক পেৰেড কৰি আগবাঢ়ি যোৱাৰ লগে লগে দেশৰ ৰাষ্ট্ৰীয় পতাকা অৱনমিত হ'ব আৰু লগে লগে ৰাজধানীৰ মুখ্যদ্বাৰ বন্ধ হৈ যাব। আবেলি সময়ত এইদৰে যুদ্ধ সামৰি উভতি আহি ৰাজপথত ড্ৰাম বজাই আগবাঢ়ি যোৱা কাৰ্যকে বিটিং ৰিট্ৰিট বোলা হৈছিল। পিছলৈ অৱশ্যে এই ক্ৰিয়াকলাপ বিভিন্ন উদ্দেশ্যত পালন কৰা হয়। বিটিং মানে হৈছে 'বিটিং অফ ড্ৰামচ' (beating of drums) অৰ্থাৎ ড্ৰাম বজোৱা আৰু ৰিট্ৰিট মানে হৈছে কোনো যুদ্ধৰ মুখামুখি হোৱাৰ পিছত ঘূৰি অহা বা পিছ হুঁহকি অহা।

ভাৰতবৰ্ষত বিটিং ৰিট্ৰিট আৰম্ভ হৈছিল ১৯৫০ চনত। তেতিয়াৰ ভাৰতীয় সৈন্যবাহিনীৰ মেজৰ জি.এ. ৰ'বাৰ্টছক (G.A. Roberts) ইয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। ভাৰতীয় সৈন্যবাহিনীৰ তিনিওটা বাহিনী— জলবাহিনী, স্থলবাহিনী আৰু বায়ুসেনাৰ সৈন্যসকল লগ হৈ ড্ৰাম বজোৱা আৰু ট্ৰাম্পেট বজোৱা বেণ্ড এটা গঠন কৰি 'বিটিং ৰিট্ৰিট'ৰ বাবে সাজু হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে যেতিয়া ব্ৰিটিছ ৰাণী দ্বিতীয় এলিজাবেথ আৰু ৰাজকুমাৰ ফিলিপ ভাৰত ভ্ৰমণলৈ আহিছিল তেতিয়া ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে মেজৰ ৰ'বাৰ্টছক ৰাণী আৰু ৰাজকুমাৰৰ সন্মানাৰ্থে বিটিং ৰিট্ৰিট প্ৰদৰ্শন কৰিবলৈ আদেশ জাৰি কৰিছিল। সেয়াই ভাৰতত বিটিং ৰিট্ৰিটৰ আৰম্ভণি। তাৰ পিছৰপৰা ভাৰতবৰ্ষৰ চৰকাৰে যদি কোনোবা দেশৰ মুৰব্বীক ভাৰতৰ কোনো অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰি আনে তেতিয়া বিটিং ৰিট্ৰিট প্ৰদৰ্শন কৰি তেওঁক সন্মান জনোৱা প্ৰথা আৰম্ভ হয়। বিটিং ৰিট্ৰিট প্ৰদৰ্শন কৰা বেণ্ডটোৱে সাধাৰণতে 'চাৰে জাহা চে আচ্ছা', 'কদম কদম বঢ়ায় যা' আদি গীতৰ সুৰ বজায়।

বৰ্তমান ভাৰতবৰ্ষত চৰকাৰীভাৱে বিটিং ৰিট্ৰিট প্ৰদৰ্শন কৰা হয় প্ৰতি বছৰে ২৯ জানুৱাৰিত। ২৬ জানুৱাৰিত ভাৰতত গণৰাজ্য দিৱস পালন কৰা হয়। গণৰাজ্য দিৱস পালনৰ দুদিন পিছত অৰ্থাৎ ২৯ জানুৱাৰিত ভাৰতীয় সেনাৰ তিনিওটা বাহিনী অৰ্থাৎ স্থলবাহিনী, নৌবাহিনী আৰু বায়ুসেনাৰ এটা উমৈহতীয়া বেণ্ডে ৰাইচিনা হিলচ্ অৰ্থাৎ ৰাষ্ট্ৰপতি ভৱনৰ ওচৰত আবেলি বিটিং ৰিট্ৰিট প্ৰদৰ্শন কৰে। এই বিটিং ৰিট্ৰিটৰ মুখ্য অতিথি হ'ল ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি। ২৯ জানুৱাৰিৰ আবেলি এক নিৰ্দিষ্ট সময়ত ৰাষ্ট্ৰপতিৰ দেহৰক্ষীসকলে ৰাষ্ট্ৰপতিগৰাকীক নিৰ্দিষ্ট

কৰি থোৱা ঠাইলৈ আগবঢ়াই লৈ যায়। তাৰ পিছত বিভিন্ন ধৰণে সন্মান প্ৰদৰ্শন কৰাৰ পিছত বেণ্ডটোৱে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বজায় আৰু লগে লগে বিজয় চ'কৰ এটা নিৰ্দিষ্ট স্থানত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়।

ভাৰতবৰ্ষত প্ৰতিদিনে বিটিং ৰিট্ৰিট দেখিবলৈ পোৱা এখন উল্লেখযোগ্য ঠাই হ'ল ভাৰত-পাকিস্তানৰ ৱাগাহ সীমান্ত। ইয়াক ৱাগাহ আট্টাৰি চেৰেমনি (Wagah-Attari Ceremony) বুলিও জনা যায়। ১৯৫৯ চনৰপৰা এই অনুষ্ঠান প্ৰতিদিনে আবেলি ৱাগাহ সীমান্তত ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনীৰ (বি.এছ.এফ) জোৱানসকলে আৰু পাকিস্তানৰ ৰেঞ্জাৰসকলে একেলগে মিলি পালন কৰি আহিছে। প্ৰতিদিনে আবেলি সীমান্তৰ প্ৰৱেশদ্বাৰ বন্ধ কৰাৰ আগতে দুয়োখন দেশৰ সীমান্তৰ দায়িত্বত থকা জোৱানসকলে নিজ নিজ দেশৰ ৰাষ্ট্ৰীয় পতাকা অৱনমিত কৰে। তাৰ পিছত দুয়োখন দেশৰ জোৱানসকলে নিজৰ নিজৰ নিৰ্ধাৰিত সামৰিক পোছাক পৰিধান কৰি নিজৰ নিজৰ শক্তি প্ৰদৰ্শন কৰিবলৈ বেণ্ডৰ লোকসকলে বজোৱা বিভিন্ন 'বিট' (Beat) অনুসৰণ কৰি এখন এখন ভৰি যিমান পাৰি সিমান ওপৰলৈ দাঙি পেৰেডৰ অনুষ্ঠান প্ৰদৰ্শন কৰে। এই 'বিটিং ৰিট্ৰিট' অনুষ্ঠান উপভোগ কৰিবলৈ ভাৰত আৰু পাকিস্তানৰ দুই দেশৰ এই সীমান্তত অসংখ্য লোকৰ সমাগম হয়। পৰ্যটকসকলৰ কাৰণে ই এটা খুব উপভোগ্য অনুষ্ঠান। সীমান্তৰ জোৱানসকলেও অনুষ্ঠানটো আটকধুনীয়া আৰু সকলোৰে উপভোগ্য কৰিবলৈ পাৰ্যমানে চেষ্টা কৰে। কিছুদিনৰ আগতে পাকিস্তানে মাত্ৰ ষাঠি ঘণ্টাৰ কাৰণে নিজৰ জিম্মাত ৰখা ভাৰতৰ বায়ুসেনা বাহিনীৰ উইং কামাণ্ডাৰ অভিনন্দন ৱৰ্থমানক এই 'ৱাগাহ-আট্টাৰি' সীমান্তৰে আবেলি সময়ত ভাৰতক গতাই দিছিল। সিদিনাখন কামাণ্ডাৰ অভিনন্দনক আদৰি অনাৰ উদ্দেশ্যে বিটিং ৰিট্ৰিট অনুষ্ঠান বাতিল কৰা হৈছিল। ❖



# ৰাষ্ট্ৰীয় মহিলা আয়োগ

**■ ডলী চৌধুৰী**

ৰাষ্ট্ৰীয় মহিলা আয়োগ (National Commission for Women, NCW) গঠন হয় ১৯৯২ চনৰ জানুৱাৰি মাহত। এই আয়োগ প্ৰধানতঃ ভাৰতীয় নাৰীসকলক প্ৰভাৱিত কৰিব পৰা যিকোনো আইন-কানুন সম্বন্ধীয় বিষয়ত চৰকাৰক বিধান দিয়া কামৰ লগত জড়িত এক আইনী সংগঠন। ভাৰতবৰ্ষত মহিলাসকলৰ বিভিন্ন অধিকাৰ, বিভিন্ন সমস্যা আৰু বিষয়ৰ চোৰা-চিতা কৰাই এই আয়োগৰ প্ৰধান কাম। ইতিমধ্যে এই আয়োগে সামৰি লোৱা বিষয়বিলাকৰ ভিতৰত যৌতুক সম্পৰ্কীয় সমস্যা, ৰাজনীতি, ধৰ্ম, চাকৰিত মহিলাৰ সম অধিকাৰ, কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত অত্যাচাৰ আদিবোৰ প্ৰধান। এই আয়োগে নিয়মীয়াকৈ হিন্দী আৰু ইংৰাজীত এখন মাহিলি পত্ৰিকা প্ৰকাশ কৰে, নাম 'ৰাষ্ট্ৰ মহিলা'।

ৰাষ্ট্ৰীয় মহিলা আয়োগত এগৰাকী অধ্যক্ষ, পাঁচগৰাকী সদস্য আৰু এগৰাকী সদস্য সচিব থাকে। কেন্দ্ৰীয় চৰকাৰে অধ্যক্ষগৰাকীক মনোনীত কৰে আৰু নিযুক্তি দিয়ে। আন সদস্যসকলকো কেন্দ্ৰীয় চৰকাৰেই মনোনীত কৰে। এই সকলো সদস্য আইন-বিধি সম্পৰ্কীয় অভিজ্ঞতাৰে পুষ্ট হোৱাটো বাঞ্ছনীয়। তদুপৰি তেওঁলোক মহিলাৰ স্বাস্থ্য, শিক্ষা আৰু কল্যাণ, অৰ্থনৈতিক বিকাশ, মহিলাৰ নিয়োগ আদি ক্ষেত্ৰৰ লগত জড়িত ব্যক্তি হ'ব লাগিব।

## এই আয়োগৰ মূল কাৰ্যাৱলী :

- সংবিধানত উল্লেখ থকা মহিলাৰ নিৰাপত্তা সম্বন্ধীয় যিকোনো বিষয় চোৰা-চিতা কৰা।
- এনে বিষয়সমূহৰ সম্পাদনৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰক দাখিল কৰা।
- নিৰাপত্তাজনিত বিষয়সমূহৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ বাবে অনুমোদন আদায় কৰা।
- মহিলা সম্পৰ্কীয় আইন প্ৰণয়ন কৰা আৰু এইবিলাকৰ খুটি-নাটি বিশ্লেষণ কৰা।
- মহিলা সম্পৰ্কীয় আইন উলংঘা হোৱা বিষয়সমূহ কৰ্তৃপক্ষক অৱগত কৰোৱা।
- মহিলাৰ কষ্ট লাঘৱ কৰি কল্যাণ সাধন কৰা। আৰু
- বিশেষ কিছুমান সমস্যা আৰু পৰিস্থিতি সম্পৰ্কে বিশেষ গৱেষণা আৰু অনুসন্ধানৰ ব্যৱস্থা কৰা ইত্যাদি।

## আয়োগৰ প্ৰতিবেদন :

এই আয়োগে কেন্দ্ৰীয় চৰকাৰক প্ৰতি বছৰে বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। অৱশ্যে এই প্ৰতিবেদন প্ৰয়োজন অনুসৰি তেওঁলোকে বছৰৰ যিকোনো সময়তে দাখিল কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰে এনে প্ৰতিবেদন দুয়োখন সদনতে উত্থাপন কৰে। প্ৰতিবেদনৰ লগত থাকে কাৰ্যপন্থাৰ খতিয়ান। তাৰ পিছত নিৰ্দিষ্ট বিষয়টোৰ লগত জড়িত ৰাজ্য চৰকাৰলৈ এই প্ৰতিবেদনৰ প্ৰতিলিপি পঠোৱা হয়। ৰাজ্য চৰকাৰে এইখন বিধানসভাত উত্থাপন কৰে।

## ক্ষমতা

আয়োগে বিবেচনা কৰা বিষয়সমূহ চালি-জাৰি চাবলৈ সমিতি গঠন কৰে। এনে সমিতিবিলাকত আয়োগৰ বাহিৰৰ মানুহকো আয়োগে নিযুক্তি দিব পাৰে। কিন্তু এনে ব্যক্তিয়ে সভাত উপস্থিত থাকিলেও ভোট দিব নোৱাৰে। এই আয়োগে এটা বিষয় অনুসন্ধান কৰোঁতে অসামৰিক ন্যায়ালয়ৰ সমান ক্ষমতা লাভ কৰে।

## আয়োগৰ লক্ষ্য

এই আয়োগৰ চনদত উল্লেখ থকা মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল—

- মহিলাৰ দক্ষতা বিকাশৰ জৰিয়তে অৰ্থনৈতিক সবলীকৰণ।
- সজাগতা, প্ৰশিক্ষণ, সংহতকৰণৰ যোগেদি ৰাজনৈতিক সবলীকৰণ।
- হিংসা ৰোধ কৰা, ঘৰৰ বাহিৰত অথবা ঘৰৰ ভিতৰত মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ প্ৰতিহত কৰা।
- বিভিন্ন ক্ষেত্ৰত পিছপৰা মহিলাসকলৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা।
- সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ মহিলাৰ বাবে বিশেষ সাহায্য প্ৰদান কৰা।
- তদুপৰি টেলিভিছন আৰু বাতৰিকাকতত যাতে মহিলাৰ সন্মান হানি হোৱা কোনো ধৰণৰ কথা প্ৰচাৰ নহয়, তাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা আদি।

এইখিনিতে এটা কথা উল্লেখ কৰা উচিত যে এই আয়োগে লিখিত বা মৌখিক যিকোনো অভিযোগৰেই অনুসন্ধান কৰে।

উল্লিখিত বিষয়সমূহৰ জৰিয়তে এই আয়োগে ভাৰতৰ মহিলাসকলৰ সৰ্বাঙ্গীন উন্নতি সাধনত ব্ৰতী হৈছে। এই ক্ষেত্ৰত দেশজুৰি প্ৰচাৰ অভিযান, কৰ্মশালা, আলোচনা চক্ৰৰ আয়োজন কৰি এই বিষয়ে দেশৰ জনগণক সজাগ কৰি তোলাৰ থল আছে। ❖

# চুড’কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ১২৯

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | 1 | 6 | 8 | | 5 |
| 8 | | 2 | | 5 | | 7 | 3 | |
| 3 | 1 | | | | | 6 | | 9 |
| 9 | | 8 | 2 | | | | | 7 |
| | | | 6 | | 8 | | | |
| 7 | | | | | 1 | 5 | | 4 |
| 2 | | 7 | | | | | 1 | 8 |
| | 5 | 4 | | 8 | | 9 | | 3 |
| 1 | | 3 | 7 | 9 | | | | |

## চুড’কু ১৩০

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 9 | | 7 | | | 2 | | |
| | 4 | | | | 2 | | 7 | 5 |
| 2 | | 6 | | 1 | 9 | 4 | | |
| | | 2 | | 5 | | | 3 | |
| 9 | | | 2 | | 8 | 6 | | |
| | | | 9 | 3 | | | 2 | |
| | 5 | 9 | | | | 1 | | 2 |
| 3 | | | 1 | | 4 | | 5 | |
| | 8 | | 6 | 2 | | 3 | | 7 |

## চুড’কু ১২৫ আৰু ১২৬ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 2 | 1 | 3 | 9 | 6 | 8 | 4 | 7 | 5 |
| 9 | 8 | 5 | 7 | 1 | 4 | 2 | 6 | 3 |
| 6 | 4 | 7 | 3 | 5 | 2 | 8 | 9 | 1 |
| 1 | 5 | 4 | 2 | 9 | 3 | 6 | 8 | 7 |
| 3 | 2 | 8 | 1 | 7 | 6 | 5 | 4 | 9 |
| 7 | 6 | 9 | 4 | 8 | 5 | 3 | 1 | 2 |
| 8 | 3 | 1 | 6 | 2 | 9 | 7 | 5 | 4 |
| 5 | 9 | 2 | 8 | 4 | 7 | 1 | 3 | 6 |
| 4 | 7 | 6 | 5 | 3 | 1 | 9 | 2 | 8 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 3 | 5 | 8 | 6 | 9 | 7 | 2 | 4 |
| 4 | 7 | 8 | 3 | 2 | 1 | 6 | 9 | 5 |
| 9 | 6 | 2 | 7 | 4 | 5 | 3 | 8 | 1 |
| 5 | 2 | 6 | 1 | 3 | 4 | 8 | 7 | 9 |
| 7 | 9 | 4 | 5 | 8 | 6 | 2 | 1 | 3 |
| 8 | 1 | 3 | 2 | 9 | 7 | 5 | 4 | 6 |
| 3 | 5 | 1 | 9 | 7 | 8 | 4 | 6 | 2 |
| 6 | 8 | 9 | 4 | 5 | 2 | 1 | 3 | 7 |
| 2 | 4 | 7 | 6 | 1 | 3 | 9 | 5 | 8 |

# পুলিৎজাৰ বঁটা

■ **নিবেদিতা তালুকদাৰ**



পুলিৎজাৰ বঁটা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষ সন্মানীয় পুৰস্কাৰ। বাতৰিকাকত, আলোচনী, সাংবাদিকতা, সাহিত্য আৰু সংগীত বিষয়ত বিশেষ ব্যুৎপত্তি লাভ কৰা ব্যক্তি বা প্ৰতিষ্ঠানক প্ৰতি বছৰে এই বঁটা প্ৰদান কৰা হয়। এই বঁটা প্ৰথম প্ৰদান কৰা হৈছিল ১৯১৭ চনত। বৰ্তমান এই বঁটা ২১টা শাখাত প্ৰদান কৰা হয়, তাৰে ২০টা শাখাত প্ৰতিজন বঁটাপ্ৰাপকে একোখনকৈ মানপত্ৰ আৰু ১৫,০০০ ডলাৰ (ভাৰতীয় হিচাপত প্ৰায় ১০,৪০,৮৫০ টকা) লাভ কৰে। সাৰ্বজনিক সেৱাৰ সাংবাদিকতাৰ শাখাত এই বঁটা বিজয়ীজনে এটা সোণৰ পদক লাভ কৰে। সাংবাদিকতাৰ শাখাত অন্তৰ্ভুক্ত ৰিপ'ৰ্টিং, ফট'গ্ৰাফী, কাৰ্টুন, সমালোচনা, টিপ্পনী আদি বিষয়ত লাভ কৰা সফলতাৰ বাবে ১৪টা বঁটা প্ৰদান কৰা হয়। আনহাতে কলা-সাহিত্য শাখাত অন্তৰ্ভুক্ত কল্পনা-সাহিত্য, বাস্তৱ-সাহিত্য, কবিতা, বুৰঞ্জী, আত্মজীৱনী, নাটক আৰু সংগীত বিষয়ত দেখুওৱা পাৰদৰ্শিতাৰ বাবে ৭টা বঁটা প্ৰদান কৰা হয়। এই বঁটা নিউয়ৰ্ক চহৰত অৱস্থিত কলম্বিয়া বিশ্ববিদ্যালয়ে তদাৰক কৰি আহিছে।

এই বঁটাৰ আঁৰত থকা ব্যক্তিগৰাকী হ'ল জোছেফ পুলিৎজাৰ, যাক 'সাংবাদিকতাৰ পিতৃ' বুলি আখ্যা দিয়া হয়। জোছেফ পুলিৎজাৰৰ জন্ম হৈছিল ১৮৪৭ চনৰ ১০ এপ্ৰিল তাৰিখে। তেওঁ আমেৰিকাৰ 'ছেইণ্ট লুইজ প'ষ্ট ডিচপাট্‌ছ' (St. Louis Post Dispatch) আৰু 'নিউয়ৰ্ক ৱৰ্ল্ড' (NewYork World) নামৰ বাতৰি কাকত দুখনৰ প্ৰকাশক আছিল। তেওঁ সেই সময়ৰ আমেৰিকাৰ এগৰাকী শক্তিশালী আৰু প্ৰতিভাবান সাংবাদিক আছিল। ১৮৯২ চনত পুলিৎজাৰে কলম্বিয়া বিশ্ববিদ্যালয়ক সাংবাদিকতাৰ বিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ বাবে অৰ্থ সাহায্য আগবঢ়াইছিল। তেতিয়ালৈকে পৃথিৱীত সাংবাদিকতাৰ কোনো বিদ্যালয় নাছিল, কিন্তু বিশেষ অসুবিধাবশতঃ এই বিদ্যালয় পুলিৎজাৰৰ জীৱন কালছোৱাত প্ৰতিষ্ঠা হৈ উঠা নাছিল। পুলিৎজাৰে তেওঁৰ ইচ্ছাপত্ৰ অনুসৰি কলম্বিয়া বিশ্ববিদ্যালয়ক ২ নিযুত আমেৰিকান ডলাৰ (প্ৰায় ১৪ কোটি টকা) দান কৰি ১৯১১ চনত পৰলোকলৈ গমন কৰে। তেওঁৰ ইচ্ছা অনুসৰি ১৯১২ চনত সাংবাদিকতাৰ বিদ্যালয় প্ৰতিষ্ঠা হৈছিল আৰু ১৯১৭ খ্ৰী.ত কলম্বিয়া বিশ্ববিদ্যালয়ে তেওঁৰ প্ৰতি সন্মান জনাই পুলিৎজাৰ বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছিল।

১৯১৭ চনৰপৰা বৰ্তমানলৈকে প্ৰতি বছৰে কলম্বিয়া বিশ্ববিদ্যালয়ে এই বঁটা প্ৰদান কৰি আহিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত দৈনিক বাতৰিকাকত 'দ্য নিউয়ৰ্ক টাইমছে' (The NewYork Times) আজিলৈকে বিভিন্ন শাখাত সৰ্বাধিক ১২৭টা পুলিৎজাৰ বঁটা লাভ কৰিছে। কাৰ্টুন সম্পাদনাৰ বাবে নেলছন হাৰ্ডিঙে একেৰাহে দুবছৰৰ বাবে পুলিৎজাৰ বঁটা লাভ কৰিছে। ১৯২৪ চনৰপৰা ১৯৪৩ চনলৈ ৰবাৰ্ট ফ্ৰষ্টে কবিতা শাখাত চাৰিবাৰ পুলিৎজাৰ বঁটা লাভ কৰিছিল।

পুলিৎজাৰ বঁটা লাভ কৰা প্ৰথমজন ভাৰতীয় মূলৰ ব্যক্তি হ'ল গোবিন্দ বিহাৰী লাল। তেওঁ ১৯৩৭ চনত সাংবাদিকতা শাখাত পুলিৎজাৰ বঁটা লাভ কৰিছিল। তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'দ্য ছান ফ্ৰান্সিচক' এগ্‌জামিনাৰ' (The San Francisco Examiner) নামৰ বাতৰি কাকতখনৰ সাংবাদিক আছিল। তেওঁ এই বঁটা আন চাৰিগৰাকী সাংবাদিকৰ সৈতে একেলগে লাভ কৰিছিল। তেওঁলোকে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত



(Harvard University) বিজ্ঞানৰ ব্যাপ্তিৰ বিষয়ে এটা ৰিপ'ৰ্ট তৈয়াৰ কৰাৰ বাবে এই বঁটা লাভ কৰিছিল। ইয়াৰ পিছত ২০০০ চনত ভাৰতীয় মূলৰ ঝুম্পা লাহিড়ীয়ে সাহিত্য শাখাত তেওঁৰ চুটি গল্পৰ সংগ্ৰহ 'ইণ্টাৰপ্ৰিটাৰ অব মালাডিছ'ৰ (Interpreter of Maladies) বাবে পুলিৎজাৰ বঁটা লাভ কৰিছিল। ২০০৩ চনত গীতা আনন্দ নামৰ সাংবাদিক এগৰাকীয়েও এই বঁটা লাভ কৰে। তেওঁ আমেৰিকাৰ 'ৱাল ষ্ট্ৰীট জাৰ্ণেল' (Wall Street Journal) নামৰ পত্ৰিকাখনত ব্যাৱসায়িক ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ বিষয়ে এটা অনুসন্ধানমূলক টোকা লিখাৰ বাবে এই বঁটা লাভ কৰে। ২০১১ চনত সিদ্ধাৰ্থ মুখাৰ্জী নামৰ চিকিৎসক এজনে সাহিত্য শাখাত পুলিৎজাৰ বঁটা লাভ কৰে। তেওঁৰ দ্বাৰা ৰচিত পুথি 'দ্য এম্পেৰৰ অব অল মালাদিছ : এ বায়'গ্ৰাফী অব কেঞ্চাৰ'ৰ (The Emperor of all Maladies : A Biography of Cancer) বাবে পুলিৎজাৰ বঁটা লাভ কৰে। ২০১৪ চনত ভাৰতীয় মূলৰ বিজয় শেষাদ্ৰী নামৰ ব্যক্তিজনে তেওঁৰ কবিতাৰ সংগ্ৰহ '৩ ছেকছ্নচ'ৰ (3 Sections) বাবে এই বঁটা লাভ কৰে।

২০১৯ চনৰ পুলিৎজাৰ বঁটা বিজয়ীসকলৰ নাম এপ্ৰিল মাহৰ ১৫ তাৰিখে নিউয়ৰ্ক চহৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ত ঘোষণা কৰা হয়। এই বছৰ আমেৰিকাৰ বিখ্যাত দৈনিক বাতৰি কাকত 'দ্য নিউয়ৰ্ক টাইমছ', আৰু 'দ্য ৱাশ্বিংটন প'ষ্টে' দুটাকৈ পুলিৎজাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। কলা-সাহিত্য শাখাৰ কাল্পনিক সাহিত্য বিষয়ত ৰিচাৰ্ড পাৱাৰছৰ (Richard Powers) 'দ্য অভাৰষ্ট'ৰী' (The Overstory) নামৰ উপন্যাসখনে পুলিৎজাৰ বঁটা লাভ কৰে। এই বছৰ পুলিৎজাৰৰ বিশেষ সন্মান মৰণোত্তৰভাৱে আগবঢ়োৱা হয় আমেৰিকাৰ বিখ্যাত সংগীত শিল্পী এৰেথা ফ্ৰেংকলিনলৈ (Aretha Franklin)। পাঁচ দশকতকৈ অধিক সময় আমেৰিকাৰ সাংস্কৃতিক দিশত আগবঢ়োৱা অৱদানৰ বাবে এৰেথা ফ্ৰেংকলিনক এই বিশেষ সন্মানেৰে সন্মানিত কৰা হয়। এনেদৰে প্ৰতি বছৰে বিভিন্ন বিষয়ৰ বিভিন্ন শাখাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ে পুলিৎজাৰ বঁটা প্ৰদান কৰি আহিছে। ❖

## তোমালোকৰ বাবে প্ৰশ্ন

১। ২০০৬ চনৰ ৩ জুনত স্বাধীন হোৱা এখন দেশৰ নামটোৰ অৰ্থ কৃষ্ণ পৰ্বত। দেশখনৰ নামটো কি?

২। কোনখন দেশৰ ৰাষ্ট্ৰীয় পতাকাখনত একে-৪৭ ৰাইফলৰ ছবি দেখা যায়—যিখন দেশৰ ইংৰাজী নামটোত আটাইকেইটা স্বৰবৰ্ণ পোৱা যায়?

৩। কোনখন ৰাষ্ট্ৰীয় উদ্যানক আধাৰ কৰি ৰুডিয়াৰ্ড কিপলিঙে তেওঁৰ 'জাংগল বুক' নামৰ গ্ৰন্থখন ৰচনা কৰিছিল?

৪। অমিতাভ বচ্চন, শ্ৰীদেৱী, ডেনী অভিনীত চিনেমা 'খুদা গৱাহ'ত আফগানিস্তানৰ এবিধ অতি জনপ্ৰিয় খেল দেখুওৱা হয়। খেলবিধৰ নাম কি?

৫। 'আনন্দ মঠ' নামৰ উপন্যাসত থকা বন্দে মাতৰম গীতটো কোনে ইংৰাজীলৈ অনুবাদ কৰিছিল? ❖

# জেক মা

■ সুদীপ্তা চৌধুৰী




চীনৰ সকলোতকৈ ধনী ব্যক্তি আৰু আলিবাবা ডট কম নামৰ অনলাইন ব্যাৱসায়িক প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক জেক মাৰ (Jack Ma) জন্ম হৈছিল চীনৰ এখন সৰু গাঁৱত ১৯৬৪ চনৰ ১০ ছেপ্টেম্বৰত। জেক মাৰ দেউতাকে মানুহক নাটক আৰু কাহিনী শুনাই পৰিয়ালটো পোহপাল দিছিল। জেক মাৰ সৰুৰেপৰা ইংৰাজী বিষয়টোত বৰ ৰাপ আছিল। কিন্তু তেওঁ দৰিদ্ৰ পৰিয়ালৰ হোৱা হেতুকে মাক-দেউতাকে জেক মাক ভাল স্কুলত নাম লগাই দিব পৰা নাছিল। ইংৰাজী ভাষাটোলৈ জেকৰ বৰ আগ্ৰহ আছিল। চীনত সেই সময়ত ইংৰাজী শিকা কথাটো প্ৰয়োজনীয় নাছিল। ইংৰাজী শিকিবলৈ তেওঁ কোনোধৰণৰ শিক্ষকৰ সহায়ো লোৱা নাছিল। সেইবাবে তেওঁ ইংৰাজী শিকিবলৈ দেশলৈ অহা পৰ্যটকসকলৰ লগত থাকিবলৈ লৈছিল। পইছা নোলোৱাকৈ তেওঁ চহৰখন পৰ্যটকক দেখুৱাইছিল আৰু তেওঁলোকৰপৰা ইংৰাজী ভাষাটো আয়ত্ত কৰিছিল। ৯ বছৰ ধৰি জেকে টুৰিষ্ট গাইডৰ কাম কৰিছিল। যাৰ ফলত তেওঁৰ লাহে লাহে ইংৰাজী ভাষাটোত দক্ষতা বাঢ়ি গৈছিল। টুৰিষ্ট গাইডৰ কাম কৰাৰ সময়ত এজন বিদেশী পৰ্যটকৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক হৈছিল আৰু এই বিদেশী পৰ্যটকজনেই তেওঁক জেক মা নাম দিছিল। কাৰণ চীনা ভাষাত তেওঁৰ প্ৰকৃত নাম লিখা আৰু কোৱাটো বৰ অসুবিধা হৈছিল। তেওঁৰ প্ৰকৃত নাম আছিল 'মা য়ুন' আৰু বিদেশী পৰ্যটকজনেই মা য়ুনক জেক মা নাম দিছিল। জেক মাৰ সৰুৰেপৰা পঢ়া-শুনাত মন নাছিল। তেওঁ পঞ্চম শ্ৰেণীত দুবাৰ আৰু অষ্টম শ্ৰেণীত তিনিবাৰ অনুত্তীৰ্ণ হৈছিল। পিছত যেতিয়া বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হৈছিল তাতো তেওঁ তিনিবাৰ ব্যৰ্থ হৈছিল। এই কাম তেওঁৰ কাৰণে বৰ সহজ নাছিল। হাৰ্ভাৰ্ড ইউনিভাৰ্চিটিত পঢ়িবলৈ ইচ্ছা কৰা জেক মাৰ আশা প্ৰৱেশ পৰীক্ষাৰ বাবেই নিৰ্বাপিত হৈছিল। সেই সময়তে জেক মাই হাংগজাও (Hangzhou) বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ পালে আৰু তাৰপৰা তেওঁ ইংৰাজী বিষয়ত স্নাতক ডিগ্ৰীও লাভ কৰে। জেক মাৰ কেৰিয়াৰৰ প্ৰথম দিনবোৰ মুঠেও সুখদায়ক নাছিল। তেওঁ বেলেগ বেলেগ ৩০ খন প্ৰতিষ্ঠানত চাকৰিৰ বাবে আবেদন কৰিছিল। কিন্তু ক'তো নিযুক্তি লাভ কৰা নাছিল। এইখিনি সময়তে কে এফ চিতো তেওঁ চাকৰিৰ কাৰণে আবেদন কৰিছিল। এই চাকৰিটোৰ বাবে ২৪ জন লোকে আবেদন কৰিছিল। য'ত ২৩ জন মানুহেই নিৰ্বাচিত হৈছিল আৰু এজন চাকৰিটোৰ কাৰণে নিৰ্বাচিত হোৱা নাছিল, আৰু সেইজনেই আছিল জেক মা। ইংৰাজী ভাষাত থকা ৰাপৰ বাবে তেওঁ পৰৱৰ্তী সময়ত এটা অনুবাদকৰ চাকৰি পাবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত জেক মাই বিভিন্ন স্থানত কেইবাটাও সৰু-বৰ কাম কৰিছিল যদিও চাকৰিত তেওঁৰ মন বহা

নাছিল। কিবা নতুন এটা কৰাৰ হেঁপাহ সদায় মনটোত পুহি ৰাখিছিল।

১৯৫৫ চনত তেওঁ এজন বন্ধুক লগ পাবলৈ আমেৰিকালৈ যাত্ৰা কৰে। তাত তেওঁ প্ৰথমবাৰৰ কাৰণে ইণ্টাৰনেটৰ লগত পৰিচিত হয়। ইণ্টাৰনেট শব্দটো তেওঁৰ কাৰণে আছিল একেবাৰে নতুন। জেক মাই যেতিয়া পোনপ্ৰথমে ইণ্টাৰনেট ব্যৱহাৰ কৰিছিল, তেতিয়া তেওঁ এটা শব্দ অনুসন্ধান (search) কৰি চাইছিল। শব্দটো অনুসন্ধান কৰাৰ পিছত বেলেগ বেলেগ উৎসৰপৰা শব্দটো সম্পৰ্কে বহুখিনি তথ্য ওলাল আৰু জেক মাই এনেধৰণৰ তথ্যবোৰ দেখি আচৰিত হৈছিল। পিছত তেওঁ চীন সম্পৰ্কে ৱেবছাইটত জানিবলৈ বিচাৰি অনুসন্ধান কৰিছিল। কিন্তু চীন সম্পৰ্কে ৱেবছাইটত কোনোধৰণৰ তথ্য লাভ নকৰিলে। তেতিয়াই তেওঁ সিদ্ধান্ত ল'লে যে চীন সম্পৰ্কে সকলো তথ্য থকা এটা ৱেবছাইট তৈয়াৰ কৰিব। কিন্তু তেওঁৰ ৱেবছাইট সম্পৰ্কে কোনোধৰণৰ জ্ঞান নাছিল। তথাপি জেক মাই বন্ধুবৰ্গৰ সহযোগত এটা ৱেবছাইটৰ কাম কৰিবলৈ আগবাঢ়িল। তাৰ ফলতেই সৃষ্টি হয় আগলি (Ugly) নামৰ ৱেবছাইটটো। প্ৰথমাৱস্থাত আগলিয়ে ভালেখিনি সঁহাৰি লাভ কৰিছিল যদিও পিছলৈ ইয়াৰ জনপ্ৰিয়তা হ্ৰাস পায়। আগলিৰ পিছত তেওঁ বন্ধুবৰ্গৰ সহযোগত আন এটা ৱেবছাইট তৈয়াৰ কৰিলে। নাম দিলে চাইনা য়েল' পেজেছ (China Yellow Pages)। ধাৰণা ভাল হোৱা সত্ত্বেও ই ভাল সঁহাৰি লাভ কৰা নাছিল। ৱেবছাইট তৈয়াৰ কৰাৰ নামত তেওঁৰ ভালেখিনি টকা-পইছা খৰচ হৈছিল। আৰ্থিক নাটনিৰ বাবে সেয়েহে তেওঁ সকলো বাদ দি আকৌ নতুন চাকৰিত যোগদান কৰিলে। চাকৰিত মন নবহাত তেওঁ পুনৰ ঘৰলৈ উভতি আহিল। ঘৰলৈ ঘূৰি আহি তেওঁ বন্ধুবৰ্গৰ লগত আলোচনা কৰি এটা পৰিকল্পনা কৰিলে। প্ৰথমে বহুতে এই পৰিকল্পনাটো ভাল পোৱা নাছিল। তাৰ ভিতৰত কিন্তু কিছুমান বন্ধুৱে জেক মাক সমৰ্থন কৰিছিল আৰু তেওঁলোকৰ সহযোগতেই তেওঁ আলিবাবা ডট কম নামৰ এটা ইণ্টাৰনেট সমৰ্থিত ব্যৱসায়িক প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ সক্ষম হৈছিল। ইয়াতো তেওঁৰ প্ৰথম সময়খিনিত কিছু আৰ্থিক সমস্যাই দেখা দিছিল। পিছত ছফট বেংক (Soft Bank) নামৰ এটা বেংকৰপৰা এক ডাঙৰ বিনিয়োগৰ দ্বাৰা তেওঁ সফলতাৰ মুখ দেখিলে। চাওঁতে চাওঁতে আলিবাবা ডট কম এটা ডাঙৰ ই-কমাৰ্চ কোম্পানী হৈ পৰিল। প্ৰথমাৱস্থাত ইয়াত ১৮ জন মানুহে কাম কৰিছিল, পিছলৈ এই সংখ্যাই ২২,০০০ অতিক্ৰম কৰিলে। জেক মাই আৰু পিছলৈ ঘূৰি চাব লগা নহ'ল। বৰ্তমান চীনৰ আটাইতকৈ ধনী ব্যক্তি হৈছে জেক মা। ২০১৭ চনৰ সমীক্ষা মতে জেক মা ১,৮৬,০০০ কোটি টকাৰ সম্পত্তিৰ অধিকাৰী। সফলতা লাভত যে দৰিদ্ৰতা বা প্ৰাথমিক পৰ্যায়ৰ বিফলতা হেঙাৰ হ'ব নোৱাৰে সেই কথা জেক মাৰ জৰিয়তে প্ৰতিপন্ন হৈছে। তেওঁৰ সফলতা সকলোৰে আদৰ্শস্বৰূপ। ❖


## কুইজৰ উত্তৰসমূহ

১) ৱায়ানাড (কেৰালাৰ)। ২) ১৯৯৮ চনত ১১ মে'ত ভাৰতে পোখৰাণত পাৰমাণৱিক বোমাৰ পৰীক্ষা কৰিছিল। ৩) আই চি চিৰ আন্তঃৰাষ্ট্ৰীয় মেচ ৰেফাৰী পেনেলত অন্তৰ্ভুক্ত প্ৰথম মহিলা। ৪) ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ। ৫) প্ৰথম চলচ্চিত্ৰৰ প্ৰদৰ্শন। লুমিয়েৰ ব্ৰাডাৰ্চে তেওঁক পঠিয়াইছিল। ৬) গুগল (Google)। ৭) প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলা কনিষ্ঠতম ক্ৰিকেটাৰ। মাধুৰ্য প্ৰসাদ বৰুৱা। ৮) এ. পি. এছ. চি. (APSC)। ৯) হেম বৰুৱা। ১০) ষ্টিফেন কিং। ১১) শান্তিৰ ন'বেল বঁটা। ১২) বাইচুং ভুটীয়া। ১৩) আৰ্ণেষ্ট হেমিংৱে। ১৪) 'দি হিন্দু' সংবাদ-পত্ৰ। ১৫) এয়া টেলিগ্ৰাফৰ আৱিষ্কাৰক ছেমুৱেল মৰ্চে ৱাশ্বিংটন ডিচিৰপৰা বাল্টিম'ৰলৈ ১৮৪৪ চনৰ ২৪ মে'ত পঠিওৱা প্ৰথম পৰীক্ষামূলক বাৰ্তা। ১৬) অসমৰ প্ৰথম মহিলা বাছ চালক (১৯৮৯ চন) ১৭) এইড্‌ছ। ১৮) পুৰুষৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ পৰিচালনা কৰা প্ৰথম মহিলা আম্পায়াৰ। ১৯) অসম কৃষি বিশ্ববিদ্যালয়। ২০) ফাদাৰ টেৰেছা। ❖


■ ৰবীন্দ্ৰ বৰ্মন

তলৰ প্ৰশ্নসমূহত প্ৰথম দুটা চিত্ৰৰ মাজত যি ধৰণৰ সম্পৰ্ক আছে, তৃতীয় আৰু চতুৰ্থটোৰ মাজতো একে ধৰণৰ সম্পৰ্ক থাকিব। উত্তৰ চিত্ৰসমূহৰপৰা চতুৰ্থ চিত্ৰটো নিৰ্ণয় কৰিব লাগে।


1. প্ৰশ্ন চিত্ৰ :





উত্তৰ চিত্ৰ :




2. প্ৰশ্ন চিত্ৰ :




উত্তৰ চিত্ৰ :




3. প্ৰশ্ন চিত্ৰ :

| | | | | | | |
|---|---|---|---|---|---|---|
| A | B | D | C | : | ÷ | × | ? |
| C | D | B | A | : | + | – | |

উত্তৰ চিত্ৰ :

| a) | | b) | | c) | | d) | |
|---|---|---|---|---|---|---|---|
| + | – | + | – | – | + | × | ÷ |
| × | ÷ | ÷ | × | × | ÷ | + | – |

**উত্তৰসমূহ :** 1. d 2. a 3. c

# বিশ্বকাপ ক্ৰিকেটৰ মহাৰণ

■ মহানন্দ শৰ্মা

**ক্ৰীড়া ক্ষেত্ৰত আকৌ এখন মহাৰণ। এইবাৰ বিশ্বকাপ ক্ৰিকেটৰ মহাৰণ। ইংলেণ্ড আৰু ৱেলছৰ ভূমিত দহখন দেশৰ মাজত অনুষ্ঠিত হৈছে এই মহাৰণ। দ্বাদশ বিশ্বকাপ জয়ৰ বাবে ৰণত নামিছে ভাৰতকে ধৰি দহখন দেশ। এই বিশ্বকাপৰ যুঁজত অৱতীৰ্ণ হৈছে আয়োজক দেশ ইংলেণ্ড, ভাৰত, পাকিস্তান, আফগানিস্তান, শ্ৰীলংকা, বাংলাদেশ, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ আৰু নিউজিলেণ্ড।**

৩০ মে'ৰ পৰা ১৪ জুলাইলৈ ডেৰ মাহ ধৰি চলিব দ্বাদশ সংস্কৰণৰ বিশ্বকাপ ক্ৰিকেটৰ মহাৰণ। ক্ৰিকেটৰ জন্মভূমি ইংলেণ্ডৰ বুকুতে এইবেলি বিশ্বকাপ জয়ৰ বাবে প্ৰয়াস চলাব বিশ্ব ক্ৰিকেটৰ দহটা শীৰ্ষ দলে। বৰ্তমানলৈ দেখুওৱা প্ৰদৰ্শনৰ পৰা ক'ব পাৰি যে কোনোটো দলেই দুৰ্বল নহয়। প্ৰতিটো দলৰ খেলুৱৈয়ে নিজৰ নিজৰ শ্ৰেষ্ঠতম প্ৰদৰ্শন দাঙি ধৰিবলৈ চেষ্টা চলাব। ইতিমধ্যে দলকেইটাই বিভিন্ন ৰণকৌশল প্ৰস্তুত কৰি খেলপথাৰত নামিছে। প্ৰতিটো দলৰ লক্ষ্য ১৪ জুলাইৰ ফাইনেল মেচত বিপৰীত পক্ষক হৰুৱাই বিশ্বকাপ জয়ৰ গৌৰৱ অৰ্জন কৰা। ৩০ মে'ৰ দিনা অভেল গ্ৰাউণ্ডত আয়োজক দেশ ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ মাজত উদ্বোধনী মেচখন অনুষ্ঠিত হয়। এইবেলি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, চমুকৈ আই চি চিয়ে এই ৫০ অভাৰৰ ক্ৰিকেট প্ৰতিযোগিতাখন ৰাউণ্ড ৰবিন আৰু নক-আউট পদ্ধতিত অনুষ্ঠিত কৰিছে। বিগত ২০১১ আৰু ২০১৫ বৰ্ষত ১৪টাকৈ দলে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ এদিনীয়া ক্ৰিকেটৰ বিশ্বকাপত ১০টা দলেহে অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। এইবাৰৰ বিশ্বকাপত মুঠ ৪৮খন মেচ খেলোৱা হ'ব। প্ৰতিটো দলে আন প্ৰতিটো দলৰ বিৰুদ্ধে একোখনকৈ গ্ৰুপ মেচ খেলিব। ৰাউণ্ড ৰবিন মেচৰ পাছত শীৰ্ষ চাৰিটা দলে নক-আউট মেচ খেলাৰ সুযোগ পাব।

**কোন দলক কোনে নেতৃত্ব দিব?**

| | |
|---|---|
| ইংলেণ্ড | ইয়ন মৰ্গান |
| অষ্ট্ৰেলিয়া | এৰন ফিন্স |
| দক্ষিণ আফ্ৰিকা | ফাফ ডু প্লেছি |
| পাকিস্তান | ছৰফৰাজ আহমেদ |
| শ্ৰীলংকা | দিমুথ কৰুণাৰত্নে |
| নিউজিলেণ্ড | কেন উইলিয়ামছন |
| ৱেষ্ট ইণ্ডিজ | জেছন হল্ডাৰ |
| বাংলাদেশ | মাশ্ৰাফে মৰ্টাজা |
| আফগানিস্তান | গুলবাদিন নাইব |
| ভাৰত | বিৰাট কোহলি |

**ভাৰতীয় দলৰ সদস্যসকল**

বেটছমেন ঃ বিৰাট কোহলি (অধিনায়ক), শিখৰ ধাৱন, ৰোহিত শৰ্মা।

অল ৰাউণ্ডাৰ ঃ বিজয় শংকৰ, কেদাৰ যাদৱ, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা।

উইকেট কীপাৰ ঃ লোকেশ ৰাহুল, মহেন্দ্ৰ সিং ধোনী, দীনেশ কাৰ্তিক।

বলাৰ ঃ কুলদীপ যাদৱ, মহম্মদ ছামী, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ, যুজবেন্দ্ৰ চহল।

**মেচসমূহৰ ষ্টেডিয়াম**

এজবাষ্টন ঃ বাৰ্মিংহাম চহৰ। ছেমিফাইনেলসহ ৫খন মেচ অনুষ্ঠিত হ'ব।

ব্ৰিষ্টল ঃ ব্ৰিষ্টল চহৰ। ৩খন মেচ অনুষ্ঠিত হ'ব।
ছফিয়া ঃ কাৰ্ডিফ চহৰ। ৪খন মেচ অনুষ্ঠিত হ'ব।
ৰিভাৰছাইড ঃ চেষ্টাৰ-লি-ষ্ট্ৰীট চহৰ। ৩খন মেচ অনুষ্ঠিত হ'ব।
হেডিংলি ঃ লীডছ চহৰ। ৩খন মেচ অনুষ্ঠিত হ'ব।
লৰ্ডছ ঃ লণ্ডন চহৰ। ফাইনেল মেচসহ ৫খন মেচ অনুষ্ঠিত হ'ব।
অ'ভেল ঃ লণ্ডন চহৰ। ৫খন মেচ অনুষ্ঠিত হ'ব।
অ'ল্ড ট্ৰেফৰ্ড ঃ মানচেষ্টাৰ চহৰ। ছেমিফাইনেলসহ ৬খন মেচ অনুষ্ঠিত হ'ব।
ট্ৰেণ্ট ব্ৰিজ ঃ নটিংহাম চহৰ। ৫খন মেচ অনুষ্ঠিত হ'ব।
ৰ'জ বাউল ঃ ছাউদাম্পটন চহৰ। ৫খন মেচ অনুষ্ঠিত হ'ব।
কাউণ্টি গ্ৰাউণ্ড ঃ টণ্টন চহৰ। ৩খন মেচ অনুষ্ঠিত হ'ব।

## ২০১৯ বিশ্বকাপৰ প্ৰাইজমানি

এইবাৰৰ বিশ্বকাপত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আগবঢ়াব মুঠ ১০ নিযুত মাৰ্কিন ডলাৰ পৰিমাণৰ ধন। ভাৰতীয় মুদ্ৰাৰ হিচাপত এই ধনৰ পৰিমাণ ৭০ কোটি টকাৰো অধিক। বিশ্বকাপৰ চেম্পিয়ন দলে লাভ কৰিব ৪ নিযুত মাৰ্কিন ডলাৰ। ভাৰতীয় মুদ্ৰাৰ হিচাপত ইয়াৰ পৰিমাণ ২৮ কোটি টকা। ৰানাৰ-আপ দলে লাভ কৰিব ২ নিযুত মাৰ্কিন ডলাৰ। ভাৰতীয় মুদ্ৰাৰ হিচাপত এই পৰিমাণ ১৪ কোটি টকা। পৰাজিত ছেমিফাইনেলিষ্ট দল দুটাই পাব ৮ লাখ মাৰ্কিন ডলাৰকৈ। অৰ্থাৎ প্ৰতিটো দলে লাভ কৰিব ভাৰতীয় মুদ্ৰাৰ হিচাপত ৫.৬ কোটি টকাকৈ। ছেমিফাইনেল খেলিব নোৱাৰিলেও লীগ মেচ খেলা ছয়টা দলে পাব ১ লাখ মাৰ্কিন ডলাৰকৈ। ইয়াৰ পৰিমাণ ভাৰতীয় মুদ্ৰাৰ হিচাপত প্ৰায় ৭০ লাখ টকা। লীগ মেচৰ বিজয়ী দলকেইটাই লাভ কৰিব ৪০ হাজাৰ মাৰ্কিন ডলাৰকৈ। ইয়াৰ পৰিমাণ প্ৰায় ২৮ লাখ টকা।

## বিশ্বকাপ ক্ৰিকেটৰ ইতিহাস

বিশ্বকাপ ক্ৰিকেটৰ ইতিহাস বৰ দীঘলীয়া নহয়। ১৯৭৫ চনত প্ৰথমবাৰৰ বাবে বিশ্বকাপ অনুষ্ঠিত হৈছিল। বিগত ১১টা সংস্কৰণত অষ্ট্ৰেলিয়াই সৰ্বাধিক পাঁচবাৰ খিতাপ দখল কৰিছে। ৱেষ্ট ইণ্ডিজ আৰু ভাৰতে দুবাৰকৈ, শ্ৰীলংকা আৰু পাকিস্তানে এবাৰকৈ বিশ্বকাপ দখল কৰিছে। ক্ৰিকেটৰ জন্মস্থান হ'লেও ইংলেণ্ড আৰু আন দুখন ৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ডে বিশ্বকাপ দখল কৰিবলৈ সক্ষম হোৱা নাই। বিশ্বকাপ লাভ কৰা দেশৰ তালিকাখন এনে ধৰণৰ—

১৯৭৫ ৱেষ্ট ইণ্ডিজ (ৰানাৰ-আপ অষ্ট্ৰেলিয়া)
১৯৭৯ ৱেষ্ট ইণ্ডিজ (ৰানাৰ-আপ ইংলেণ্ড)
১৯৮৩ ভাৰত (ৰানাৰ-আপ ৱেষ্ট ইণ্ডিজ)
১৯৮৭ অষ্ট্ৰেলিয়া (ৰানাৰ-আপ ইংলেণ্ড)
১৯৯২ পাকিস্তান (ৰানাৰ-আপ ইংলেণ্ড)
১৯৯৬ শ্ৰীলংকা (ৰানাৰ-আপ অষ্ট্ৰেলিয়া)
১৯৯৯ অষ্ট্ৰেলিয়া (ৰানাৰ-আপ পাকিস্তান)
২০০৩ অষ্ট্ৰেলিয়া (ৰানাৰ-আপ ভাৰত)
২০০৭ অষ্ট্ৰেলিয়া (ৰানাৰ-আপ শ্ৰীলংকা)
২০১১ ভাৰত (ৰানাৰ-আপ শ্ৰীলংকা)
২০১৫ অষ্ট্ৰেলিয়া (ৰানাৰ-আপ নিউজিলেণ্ড)

## বিশ্বকাপ ক্ৰিকেটত অভিলেখ

সৰ্বাধিক দলীয় ৰান ঃ অষ্ট্ৰেলিয়া, ৪১৭/৬, বিপক্ষ আফগানিস্তান, পাৰ্থ ২০১৫।
সৰ্বাধিক ব্যক্তিগত ৰান ঃ শচীন তেণ্ডুলকাৰ, ২,২৭৮ ৰান।
এখন মেচত সৰ্বোচ্চ ৰান ঃ মাৰ্টিন গাপটিল, অপৰাজিত ২৩৭ ৰান, বিপক্ষ ৱেষ্ট ইণ্ডিজ।
সৰ্বাধিক উইকেট দখল ঃ গ্লেন মেকগ্ৰা, বিশ্বকাপত মুঠ উইকেট দখল ৭১টা।
শ্ৰেষ্ঠ বলিং প্ৰদৰ্শন ঃ গ্লেন মেকগ্ৰা, ১৫ ৰানত ৭ উইকেট, বিপক্ষ নামিবিয়া, ২০০৩ বিশ্বকাপ।
সৰ্বাধিক মেচ খেলাৰ অভিলেখ ঃ ৰিকী পণ্টিং, অষ্ট্ৰেলিয়া, মুঠ মেচৰ সংখ্যা ৪৬। ❖




কথা কোৱা ডাকটিকট



জেক মা



চিৰাল



তেঁতেলি



ক'লা জামু